**'Foundational Literacy '**– An Instructional Design in Assamese developed by a State Resource Group through workshop mode for the teachers.

**ALL RIGHTS RESERVED :** No reproduction in any form of this document, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from SSA, Assam.

**গ্ৰন্থস্বত্ব ঃ** ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**প্ৰথম প্ৰকাশ ঃ ২০২২ ইং**

# আগকথা

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০- এ বুনিয়াদী স্তৰত সাক্ষৰতা আৰু সাংখ্যিকতা বোধৰ বিকাশৰ বাবে এটি ৰাষ্ট্ৰীয় অভিযানৰ পোষকতা কৰিছে। ইয়াৰ ফলস্বৰূপে ২০২১ চনৰ ৫ জুলাইত ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ দ্বাৰা 'নিপুণ ভাৰত' অভিযান ঘোষণা কৰা হয়। এই অভিযানৰ আধাৰত ২০২১ চনৰ ১৬ নৱেম্বৰত অসম চৰকাৰে 'নিপুণ অসম' নামেৰে উক্ত অভিযান ৰাজ্যত আৰম্ভ কৰে। এই অভিযানৰ মূল লক্ষ্য হৈছে প্ৰাক্-প্ৰাথমিক স্তৰৰ পৰা তৃতীয় শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্ধাৰিত শিকন ফলাফলসমূহ আয়ত্ত কৰিব পৰাকৈ সক্ষম কৰি তোলা।

সেয়েহে, এই অভিযানে বুনিয়াদী স্তৰত শিক্ষাৰ্থীসকলৰ মৌখিক ভাষাৰ বিকাশ, পঠন আৰু লিখনৰ দক্ষতা আহৰণৰ লগতে তেওঁলোকৰ সাংখ্যিক ধাৰণাৰ বিকাশ আৰু দৈনন্দিন জীৱনৰ সাধাৰণ সমস্যা সমাধানত এই ধাৰণাসমূহৰ সঠিক প্ৰয়োগৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰিছে।

'নিপুণ অসম'ৰ লক্ষ্যত উপনীত হ'বলৈ সমগ্ৰ শিক্ষা, অসম আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ তত্বাৱধানত শিক্ষকসকলৰ সুবিধা হোৱাকৈ 'নিৰ্দেশনাত্মক আৰ্হি' নামেৰে শিক্ষকৰ হাতপুথি প্ৰস্তুত কৰা হৈছে। এই হাতপুথিখনৰ আধাৰত শ্ৰেণীকক্ষত পাঠ আদান-প্ৰদান কৰিবলৈ শিক্ষকসকলৰ সুবিধা হ'ব আৰু শিশুসকলৰ শিকনত এক গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব বুলি আশা কৰা হৈছে। শিক্ষকৰ হাতপুথিত দিয়া নিৰ্দেশনা অনুসৰি বিভিন্ন আৰ্হিৰ ক্ৰিয়া-কলাপ সন্নিৱিষ্ট কৰা হৈছে, যেনে - সাধু কথন, ভঙ্গীমা গীত, নিচুকনি গীত, ওমলা গীত, সাঁথৰ, ছবি পৰ্যৱেক্ষণৰ লগতে ভাষা আৰু গণিতৰ বিভিন্ন ক্ৰিয়া-কলাপ ইত্যাদি। এই আৰ্হি ক্ৰিয়া-কলাপসমূহ শিক্ষকসকলে শ্ৰেণীকোঠাৰ পাঠদানত ব্যৱহাৰ কৰিব পাৰিব আৰু প্ৰয়োজনবোধে নিজাববীয়াকৈও আৰ্হি প্ৰস্তুত কৰি ল'ব পাৰিব।

উল্লেখ্য, এই অভিযানৰ জৰিয়তে শিকন ঘাটি (learning gap) থকা শিশুসকলক এক সামগ্ৰিক পদক্ষেপৰ মাজেৰে শিক্ষাৰ মূল সুঁতিলৈ অনাৰ প্ৰচেষ্টাও হাতত লোৱা হৈছে। আশাকৰা হৈছে যে উক্ত অভিযান সুকলমে আগবঢ়াই নিয়াত শিক্ষাৰ লগত জড়িত প্ৰতিগৰাকী বিষয়ববীয়া, শিক্ষক-শিক্ষয়িত্ৰী, পিতৃ-মাতৃ তথা অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য আৰু সমাজৰ প্ৰতিজন ব্যক্তিয়ে ইতিবাচক সঁহাৰি আৰু পৰামৰ্শ আগবঢ়াব।

সঞ্চালক
**ড° নিৰদা দেৱী**
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলীপাৰা, গুৱাহাটী- ৭৮১০১৯

# বাৰ্তা

- 'নিপুণ ভাৰত'- 'পঠনবোধ আৰু সাংখ্যিকতাবোধৰ ব্যুৎপত্তিৰ বাবে গ্ৰহণ কৰা এক ৰাষ্ট্ৰীয় পদক্ষেপ।' (NIPUN BHARAT: National Initiative for Proficiency in Reading with Understanding and Numeracy) অসমত ইয়াক 'নিপুণ অসম' হিচাপে গ্ৰহণ কৰা হৈছে।
- পঠন, লিখন আৰু সাংখ্যিক কৌশল আয়ত্ত কৰিলেহে শিশুসকল সফল যোগাযোগকাৰী হিচাপে বিকশিত হ'ব।
- পঠনৰ মূল উদ্দেশ্য হ'ল, পঢ়ি বুজি পোৱা, সি ভাষাই হওঁক বা গাণিতিক সমস্যাই হওঁক।
- সংখ্যাজ্ঞান যিমান পাৰি ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হোৱাকৈ সজাই তোলা উচিত।
- সাক্ষৰতাৰ কৌশলসমূহৰ বিকাশৰ জৰিয়তে পঠন বিকাশ সম্ভৱ হয়।
- সাক্ষৰতাৰ কৌশল বিকাশৰ বাবে পাঠ্যপুথিৰ বাহিৰে বিভিন্ন সমলৰ প্ৰয়োজন আছে।
- বুজি পোৱা আৰু সলসলীয়াকৈ পঢ়িব পৰা দক্ষতা পৰস্পৰৰ পৰিপূৰক।
- ঘৰুৱা ভাষাত শিশুৰ মৌখিক ভাষাৰ বিকাশ হয়, সেয়ে শক্তিশালী ঘৰুৱা ভাষাৰ বিকাশে মান্য ভাষা শিকনত সহায় কৰে।
- ছাত্ৰ-ছাত্ৰীয়ে সংখ্যাজ্ঞানৰ বাবে প্ৰাক্-গাণিতিক ধাৰণা, সংখ্যাৰ ধাৰণা, সহজ-সৰল যোগ-বিয়োগৰ অংক বা সমস্যা সমাধানৰ লগতে বিভিন্ন দ্বি-মাত্ৰিক বা ত্ৰি-মাত্ৰিক আকৃতি, চানেকি আদিৰ লগত পৰিচয় হ'ব লাগে।
- বিদ্যালয়ৰ বাহিৰৰ অভিজ্ঞতাক শ্ৰেণীকোঠাৰ শিকনৰ সৈতে সংযোজিত কৰি শিকন উন্নীত কৰা উচিত।
- শিশুৰ শিকন আৰু মূল্যায়ন, শিকন ফলাফলৰ ভিত্তিত হ'ব লাগে আৰু শিকনত অসুবিধা পোৱা শিশুৰ প্ৰতি সহায় আগবঢ়াব লাগে।
- পূৰ্বস্তৰীয় সাক্ষৰতা আৰু সাংখ্যিক কৌশলৰ ধাৰণা আয়ত্ত কৰাৰ লগতে শিকন ঘাটি পূৰণৰ বাবেও প্ৰস্তুতিমূলক কাৰ্যপত্ৰ যোগান ধৰা হৈছে।
- লিঙ্গ বৈষম্যমূলক আচৰণৰ পৰা শ্ৰেণীকক্ষক মুক্ত কৰি এক সুন্দৰ সমন্বিত শ্ৰেণীকক্ষ গঢ়ি তোলা উচিত ।
- ভাষা শিকনৰ অগ্ৰগতিৰ লগে লগে একে সময়তে সংখ্যাজ্ঞানো সমানে আগুৱাই নিব।
- শিক্ষক-শিক্ষয়িত্ৰী, পিতৃ-মাতৃ, অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতি, মাতৃগোট, সমাজৰ তথা শিক্ষা ব্যৱস্থাৰ লগত জড়িত সকলোৰে সক্ৰিয় অংশ গ্ৰহণ আৰু সহায় সহযোগিতা সুনিশ্চিত হ'লেহে এই কাৰ্যক্ৰমটো ফলপ্ৰসূ হ'ব।
- বিভিন্ন কাৰণত বিদ্যালয়ত উপস্থিত থাকিব নোৱৰা শিশুসকলৰ শিকন ঘাটিসমূহ পূৰাবলৈ বিভিন্ন কাৰ্যপত্ৰ অন্তৰ্ভুক্ত কৰি প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ পাঠ্যপুথিৰ পৰা বৰ্তমানে পোৱা শিকন ফলাফলৰ ভিত্তিত **৬০ পৃষ্ঠাৰ এখন সম্ভাৰ** প্ৰস্তুত কৰা হৈছে। সম্ভাৰখনৰ সকলো অংশতে এটা অনুক্ৰম বজাই ৰখা হৈছে যাতে এটা স্তৰৰ পৰা আনটোলৈ যাওঁতে ক্ৰমান্বয়ে শিশুসকলৰ মসৃণ স্থানান্তৰ ঘটে। এই সম্ভাৰৰ যোগেদি শিক্ষাৰ্থীৰ **শিকন ঘাটিসমূহ হ্ৰাস কৰিবলৈ চেষ্টা কৰা হৈছে** আৰু শিক্ষাৰ্থীয়ে এই শিকন ঘাটিবোৰ পূৰাবলৈ এটি যোগসূত্ৰ স্থাপন কৰি মূলসুঁতিৰ সৈতে খাপ খুৱাবলৈ যত্ন কৰা হৈছে।

# 'নিপুণ অসম' সাক্ষৰতা আৰু সাংখ্যিকতা অভিযান

**'নিপুণ অসম'** হৈছে ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ ৰ আধাৰত ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে আৰম্ভ কৰা **'নিপুণ ভাৰত'-অভিযানৰ অংশ হিচাপে অসম চৰকাৰে গ্ৰহণ কৰা সাক্ষৰতা আৰু সাংখ্যিকতা অভিযানৰ এক পদক্ষেপ। 'নিপুণ ভাৰত'- হৈছে পঠনবোধ আৰু সাংখ্যিকতাবোধৰ ব্যুৎপত্তিৰ বাবে গ্ৰহণ কৰা এক ৰাষ্ট্ৰীয় পদক্ষেপ।'** (NIPUN BHARAT: National Initiative for Proficiency in Reading with Understanding and Numeracy)

এই অভিযানৰ উদ্দেশ্য হৈছে ২০২৬-২৭ বৰ্ষৰ ভিতৰত তৃতীয় শ্ৰেণীৰ অন্তত প্ৰত্যেকজন শিশুৱে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ অৰ্হতা আৰু কৌশল আয়ত্ত কৰাটো সুনিশ্চিত কৰা। তদুপৰি এই অভিযানে শিশুসকলৰ স্তৰ অনুসৰি পঠন, লিখন আৰু সংখ্যাজ্ঞানৰ অৰ্হতা আহৰণ নিশ্চিত কৰিব।

২০২১ চনৰ ১৬ নৱেম্বৰ তাৰিখে **'নিপুণ অসম'** অভিযান আৰম্ভ কৰা হৈছে। এই অভিযানৰ মূল উদ্দেশ্যসমূহ হৈছে —

- শিশুৰ ঘৰুৱা ভাষাৰ জৰিয়তে খেলা-ধূলা, আৱিষ্কাৰ আৰু ক্ৰিয়া-ভিত্তিক শিক্ষণশৈলীক, তেওঁলোকৰ দৈনন্দিন জীৱনৰ বিভিন্ন পৰিস্থিতিৰ সৈতে সংযোগ ঘটাই এক অন্তৰ্ভুক্তিকৃত শ্ৰেণীৰ পৰিৱেশ সুনিশ্চিত কৰা।
- শিশুসকলক স্বাধীনভাৱে পঠন আৰু লিখনৰ সৈতে জড়িত হ'বলৈ অভিপ্ৰেৰিত কৰা যাতে তেওঁলোকে বোধৰ সৈতে পঠন আৰু লিখনৰ দক্ষতা আহৰণ কৰিব পাৰে।
- শিশুসকলক সংখ্যা, জোখ-মাখ আৰু আকৃতিৰ বিষয়সমূহ বুজি সেই বিষয়ে ক'ব পৰা আৰু সাংখ্যিকতা আৰু স্থান সম্পৰ্কীয় বোধৰ দক্ষতাৰ জৰিয়তে তেওঁলোকক স্বতন্ত্ৰভাৱে সমস্যা সমাধানৰ বাবে সক্ষম কৰি তোলা।
- শিশুসকলৰ পৰিচিত, ঘৰুৱা, মাতৃভাষাত উচ্চ-মানসম্পন্ন আৰু সংস্কৃতিৰ সৈতে জড়িত শিক্ষণ-শিকন সামগ্ৰীৰ সহজলভ্যতা আৰু ফলপ্ৰসূ ব্যৱহাৰ সুনিশ্চিত কৰা।
- শিক্ষক, প্ৰধান শিক্ষক, শিক্ষাৰ সমল ব্যক্তি আৰু প্ৰশাসকসকলৰ অবিৰত দক্ষতা বিকাশৰ ক্ষেত্ৰত তেওঁলোকে মনোনিৱেশ কৰা।
- জীৱনজোৰা শিকনৰ শক্তিশালী বুনিয়াদ গঢ়াৰ বাবে শিক্ষাৰ বিভিন্ন অংশীদাৰ যেনে-শিক্ষক, অভিভাৱক, শিক্ষাৰ্থী আৰু সমাজ, আঁচনি প্ৰস্তুতকৰ্তাৰ লগত সক্ৰিয়ভাৱে জড়িত হোৱা।
- প'ৰ্টফ'লিঅ', দলীয় আৰু সহযোগিতামূলক কাম, প্ৰকল্প, কুইজ, ভাওলোৱা, খেল-ধেমালি, মৌখিক উপস্থাপন, চমু পৰীক্ষা (short test) আদিৰ জৰিয়তে **'শিকি থাকোঁতে মান-নিৰূপণ', 'শিকিবলৈ মান-নিৰূপণ** আৰু **'শিকাৰ কাৰণে মান-নিৰূপণ'** (assessment 'as, of and for' learning) কৰি শিকন সুনিশ্চিত কৰা।
- সকলো শিক্ষাৰ্থীৰ শিকনৰ স্তৰ নিৰীক্ষণ কৰি তাক সুনিশ্চিত কৰা।

**এই অভিযানে আগবঢ়োৱা বিকাশৰ মূল লক্ষ্যসমূহ হ'ল ঃ**

- ১ (Health and Well- being/ H.W ) ঃ শিশুসকল সু-স্বাস্থ্যৰ অধিকাৰী হ'ব আৰু সুস্থ জীৱন যাপন কৰিব পাৰিব।
- ২ (Effective Communicator/ECL) ঃ শিশুসকল সফল যোগাযোগকাৰী হ'ব।
- ৩ (Involved Learners/IL) ঃ শিশুসকলে শিকন প্ৰক্ৰিয়াৰ লগত জড়িত হৈ নিজকে প্ৰত্যক্ষ পৰিৱেশৰ সৈতে খাপ খুৱাব পাৰিব।

# ‘নিপুণ অসম’ অভিযানত শিক্ষণ-শিকন প্ৰক্ৰিয়াত শিক্ষকৰ ভূমিকা

- **শিশুক কথা ক'বলৈ উৎসাহিত কৰা ঃ**
  শ্ৰেণীকোঠাত শিক্ষকে সৰহ সময় কথা কোৱাৰ পৰিবৰ্তে শিশুক কথা কোৱা আৰু আলোচনা কৰাৰ সুযোগ প্ৰদানে শিশুৰ শিকনক উৎসাহিত কৰে।
- **শ্ৰেণীত শিশুৱে অংশগ্ৰহণ কৰিব পৰা পৰিৱেশ সৃষ্টি কৰা ঃ**
  শিকনৰ সময়ত শিশুক স্বাধীনভাৱে অংশগ্ৰহণৰ সুযোগ প্ৰদান কৰি উপভোগ্য আৰু আমোদজনক শিকন পৰিৱেশ সৃষ্টি কৰা।
- **পৰীক্ষামূলক আৰু বাস্তৱ জগতৰ লগত সংগতি থকা শিক্ষাদান পদ্ধতিৰ প্ৰয়োগ কৰা ঃ**
  পাঠ্যপুথিভিত্তিক শিকন প্ৰক্ৰিয়াই শিশুক বাস্তৱ জগতৰ পৰা আঁতৰাই ৰাখে। শিশুৰ সৈতে বিদ্যালয়ৰ বাহিৰৰ জগতখনৰ লগত সম্পৰ্ক স্থাপনে মনোযোগ আকৰ্ষণ কৰাত সহায় কৰে।
- **শিকনত সমস্যাৰ সন্মুখীন হোৱা শিশুক সহায় কৰা ঃ**
  শিক্ষকে **শিকন ঘাটি** আৰু **শিকনত সমস্যা** থকা শিশুক চিনাক্ত কৰি অতিৰিক্ত সহায় প্ৰদান কৰি সকলো শিশুকে সমশিকন পৰ্যায়লৈ উন্নীত কৰাত গুৰুত্ব দিব।
- **ছপা সমৃদ্ধ পৰিৱেশ সৃষ্টি কৰাৰ লগতে শিক্ষণ-শিকন সঁজুলিৰ উচিত প্ৰয়োগ ঃ**
  শ্ৰেণীকোঠাৰ বেৰত বৰ্ণ, সংখ্যা আদিৰ চাৰ্টৰ উপৰি শিক্ষকে অন্যান্য ছপা-সাহিত্য আৰু পুতলা সমৃদ্ধ সমলেৰে শ্ৰেণীকোঠাত ছপা সমৃদ্ধ পৰিৱেশ সৃষ্টি কৰা।
- **অবিৰত মান-নিৰূপণ কৰা ঃ**
  — শিশুসকলে শিকন ফলাফল আহৰণ কৰিব পাৰিছে নে নাই তাক অবিৰত মান-নিৰূপণৰ জৰিয়তে শিক্ষকসকলে নিৰ্ধাৰণ কৰিব।
  — মান-নিৰূপণত **বিষয়বস্তুতকৈ ধাৰণা বিকাশৰ প্ৰতি** অধিক গুৰুত্ব দিব লাগে।

**শিক্ষকৰ কৰণীয় ঃ**

| প্ৰস্তুতি | শ্ৰেণীদানৰ পূৰ্ব প্ৰস্তুতি | শ্ৰেণীদানৰ সময়ত | মান-নিৰূপণ |
|---|---|---|---|
| ➤ বুনিয়াদী স্তৰত সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ প্ৰয়োজনীয়তা বুজি পোৱা। | ➤ বুনিয়াদী স্তৰৰ শিকন ফলাফলভিত্তিক সমল সামগ্ৰী প্ৰস্তুত কৰা আৰু কম খৰচী তথা বিনামূলীয়া স্থানীয় সমল সংগ্ৰহ কৰা। | ➤ মাতৃভাষাক শিক্ষাৰ আদান-প্ৰদানৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা আৰু বহুভাষিকতাক শ্ৰেণীকোঠাৰ সমল হিচাপে ব্যৱহাৰ কৰা। | ➤ শিশুৰ বিকাশৰ ধাৰা নিৰূপণ কৰাৰ বাবে বিদ্যালয়ভিত্তিক মান-নিৰূপণৰ ব্যৱহাৰ কৰা। |
| ➤ কলা সমন্বিত স্থানীয় খেল, বিভিন্ন বাস্তৱ বস্তু, পুতলা আদিৰ জৰিয়তে শিক্ষাদানৰ কৌশল আয়ত্ত কৰা। | ➤ শিক্ষকে পঠন আৰু সংখ্যা জ্ঞানৰ ক্ষেত্ৰত সৃষ্টিমূলক ক্ৰিয়া-কলাপ সজাই তুলি শিশুক মুক্তখেল আৰু সামাজিক, আৱেগিক কৌশল বিকাশত উৎসাহিত কৰি তোলা। | ➤ কলা, সাধু, পদ্য, ছন্দৰ মিল থকা কবিতা, খেল, পুতলা, গীত- মাত, বাস্তৱ বস্তু ব্যৱহাৰ আদিৰ ক্ৰিয়া-কলাপেৰে অভিজ্ঞতামূলক আৰু আনন্দদায়ক শিকনৰ ব্যৱস্থা কৰা। | ➤ পৰ্যৱেক্ষণৰ জৰিয়তে শিশুৰ দক্ষতা, মনোযোগ আৰু শিকনৰ ধৰণ জানি লোৱা। |
| ➤ বুনিয়াদী স্তৰত মান-নিৰূপণৰ ধাৰণা আয়ত্ত কৰা। | ➤ পূৰ্বজ্ঞানৰ পৰীক্ষাৰে শিশুৰ শিকনৰ স্থিতি জানি লোৱা। | ➤ বাস্তৱ জীৱনৰ সৈতে সমন্বিত পাঠ-পৰিকল্পনাৰ ভিত্তিত শ্ৰেণীকোঠাত পাঠ আদান-প্ৰদানৰ পৰিকল্পনা প্ৰস্তুত কৰা। | ➤ প'ৰ্টফ'লিঅ'ৰ জৰিয়তে শিশুৰ ক্ৰিয়া-কলাপৰ তথ্য সংগ্ৰহ কৰা। |

# নিৰ্দেশনাত্মক আৰ্হিৰ প্ৰয়োজনীয়তা

শিক্ষকসকলৰ সুবিধাৰ্থে শ্ৰেণীকোঠাত পাঠ আদান-প্ৰদান কৰিবলৈ সমগ্ৰ শিক্ষা, অসম আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ তত্ত্বাৱধানত 'নিৰ্দেশনাত্মক আৰ্হি' নামৰ এখনি শিক্ষকৰ হাতপুথি প্ৰস্তুত কৰা হৈছে। এই হাতপুথিত বুনিয়াদী স্তৰৰ শিশুসকলৰ বাবে পাঠ্যপুথি অংকুৰণ (প্ৰথম, দ্বিতীয় ভাগ), নতুন গণিত (প্ৰথম, দ্বিতীয় ভাগ)ৰ কিছুমান পাঠ আদান-প্ৰদানৰ প্ৰক্ৰিয়া সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ যোগেদি পাঠত সন্নিৱিষ্ট থকা বিভিন্ন অৰ্হতাসমূহ কেনেকৈ উপস্থাপন কৰিব তাৰ এটি চমু আভাসো দিয়া হৈছে। শিশুসকলৰ মৌখিক ভাষাৰ বিকাশ, সংখ্যাৰ জ্ঞান, পাঠোদ্ধাৰ, শব্দভাণ্ডাৰ, লিখন, পঠনবোধ আৰু পঠনৰ বাবে শিশুসকলক কেনেদৰে আকৰ্ষিত কৰিব তাৰো কিছুমান প্ৰক্ৰিয়া আৰ্হি হিচাপে যুগুত কৰা হৈছে।

এই হাতপুথিখনৰ জৰিয়তে শিক্ষকসকলে শিশুসকলৰ তলত দিয়া অৰ্হতাসমূহ আহৰণ কৰাত ফলপ্ৰসূ অৰিহণা যোগাব পাৰিব —

- পঠন বোধ আৰু লিখনৰ বাবে প্ৰয়োজনীয় অৰ্হতা আয়ত্ত কৰা।
- সংখ্যাজ্ঞান সম্পৰ্কীয় বুনিয়াদী ধাৰণা, বোধ আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কীয় জ্ঞান।
- বিদ্যালয়ৰ বাহিৰৰ অভিজ্ঞতাক শ্ৰেণীকোঠাৰ শিকনৰ সৈতে সংযোজিত কৰি সঠিক দিশত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা কৌশল আয়ত্ত কৰাৰ লগতে দৈনন্দিন জীৱনত এইবোৰৰ ব্যৱহাৰ উপযোগী কৰি তোলা।

**শিক্ষণ-শিকন প্ৰক্ৰিয়া ঃ শিক্ষকৰ ভূমিকা**

নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ এ বুনিয়াদী ভাষা আৰু সাক্ষৰতা বিকাশৰ বাবে কিছুমান মূল উপাদান নিৰ্ধাৰণ কৰিছে। যেনে—

মৌখিক ভাষাৰ বিকাশ (Oral Language Development)

- ✦ পঠনবোধ (Reading Comprehension)
- ✦ ছপা সম্পৰ্কীয় ধাৰণা (Concept about print)
- ✦ লিখন (Writing)
- ✦ শব্দজ্ঞান (Vocabulary)
- ✦ ধ্বনিগত সচেতনতা (Phonological awareness )
- ✦ পাঠোদ্ধাৰ (Decoding)
- ✦ সাৱলীল পঠন (Reading Fluency)
- ✦ পঠনৰ অভ্যাসৰ প্ৰতি আকৰ্ষণ (Culture of Reading/Inclination towards Reading)

লগতে, নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০য়ে **'বুনিয়াদী সাংখ্যিকতা আৰু গাণিতিক কৌশল'** (Fundamental Numeracy and Mathematical Skills)- ৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ উপাদান নিৰ্ধাৰণ কৰিছে। প্ৰাৰম্ভিক গণিতৰ সেই উপাদানসমূহ হৈছে-

- ✦ প্ৰাক্-সাংখ্যিক ধাৰণা (Pre-Number Concept)
- ✦ সংখ্যা আৰু সংখ্যাৰ প্ৰক্ৰিয়াসমূহ (Numbers and Operations of numbers)
- ✦ আকৃতি আৰু স্থানীকবোধ (Shapes and Spatial understanding)
- ✦ জোখ-মাখ (Measurement)

- চানেকি (Patterns)
- তথ্যৰ ব্যৱহাৰ (Data Handling)
- গাণিতিক যোগাযোগ (Mathematical Communication)

**বুনিয়াদী ভাষা আৰু সাক্ষৰতাৰ লগতে সাংখ্যিকতা আৰু গণিতৰ কৌশল বিকাশৰ বাবে নিৰ্ধাৰিত উল্লিখিত মূল উপাদানসমূহৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকৰ কৰণীয় দিশসমূহ ঃ**

- শ্ৰেণীকোঠাত শিক্ষকে শিশুক কথা ক'বলৈ উৎসাহিত কৰিব। নিজৰ পৰিৱৰ্তে শিশুক সৰহ সময় কথা কোৱাৰ সুযোগ দিব।
- শিশুৰ পঠন আৰু লিখন কৌশল বিকাশৰ ক্ষেত্ৰত মৌখিক ভাষাৰ গুৰুত্ব অপৰিসীম। শিশুৱে কথা কোৱাৰ সময়ত তেওঁলোকক ঘৰুৱা ভাষা ব্যৱহাৰ কৰাৰ সুযোগ দিয়াৰ লগতে বিদ্যালয়ৰ ভাষা ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিব।
- পঠনবোধৰ বিকাশৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীক পৰিচিত বা অপৰিচিত পাঠ পঢ়িবলৈ দিব। অৰ্থ বুজি পাঠটো সম্পৰ্কে ধাৰণা কৰিবলৈ উৎসাহিত কৰিব। ইয়াৰ বাবে শিক্ষকে পূৰ্ব পঠন স্তৰৰ কেতবোৰ প্ৰশ্নৰ অৱতাৰণা কৰিব।

  উদাহৰণস্বৰূপে, ছবি দেখুৱাই প্ৰশ্ন কৰা, শিক্ষণ-শিকন- সামগ্ৰী দেখুৱাই প্ৰশ্ন কৰা, ছাত্ৰ-ছাত্ৰীক নিজৰ অভিজ্ঞতাৰ বিষয়ে সোধা ইত্যাদি।
- ছাত্ৰ-ছাত্ৰীৰ ছপা সম্পৰ্কীয় ধাৰণাৰ বিকাশৰ বাবে শিক্ষকে শ্ৰেণীকোঠাৰ বেৰত বৰ্ণ, সংখ্যা আদিৰ চাৰ্টৰ উপৰি অন্যান্য ছপা সামগ্ৰী যেনে- বৰ্ণ-কাৰ্ড, শব্দ-কাৰ্ড, বাক্য-কাৰ্ড, শিশু সাহিত্য আৰু পুতলা ইত্যাদি সমলেৰে শ্ৰেণী কোঠাত ছপাসমৃদ্ধ পৰিবেশ সৃষ্টি কৰিব।
- ছাত্ৰ-ছাত্ৰীক ছপা সম্পৰ্কীয় আনুষ্ঠানিক ধাৰণা দিয়াৰ পূৰ্বেই তেওঁলোকক পাঠ্যপুথিৰ পৃষ্ঠা লুটিওৱা, কিতাপৰ বেটুপাত পঢ়া, লিখনৰ সঠিক দিশ, লেখকৰ বিষয়ে জনা আৰু পাঠ সম্বন্ধীয় কথাবোৰ জনাব।
- লিখিবলৈ শিকাটো এক বিকাশমূলক প্ৰক্ৰিয়া। সেয়েহে প্ৰাক্-প্ৰাথমিক স্তৰত শিক্ষকে ছাত্ৰ-ছাত্ৰীক আঁক-বাঁক কৰা আৰু ছবি অকাঁৰ জৰিয়তে লিখনৰ আৰম্ভণি কৰাব। এইদৰে শিশুসকলে ক্ৰমান্বয়ে বৰ্ণৰ পৰা শব্দ, শব্দৰ পৰা বাক্য লিখি নিজে প্ৰকাশ কৰিবলৈ সমৰ্থ হ'ব। প্ৰসংগ অনুযায়ী ছাত্ৰ-ছাত্ৰীক সঠিক শব্দ জ্ঞান দিব যাতে তেওঁলোকে দৈনন্দিন জীৱনত শব্দসমূহ প্ৰসংগ অনুযায়ী সঠিক ৰূপত প্ৰকাশ কৰিব পাৰে।
- ছাত্ৰ-ছাত্ৰীক শব্দত থকা ধ্বনি সচেতনতা, ছন্দ আৰু শব্দ সচেতনতাৰ সম্পৰ্কে জ্ঞান দিবলৈ বিভিন্ন ধৰণৰ কাৰ্যৰ লগত জড়িত কৰাব। উদাহৰণ স্বৰূপে, 'ক' ধ্বনিৰ প্ৰয়োগ জানিবলৈ 'ক' ধ্বনিৰ বিভিন্ন শব্দৰে ছন্দযুক্ত ভংগীমা গীত-গাই ধ্বনি সচেতনতা আনিব পাৰে।
- কোনো এটা বিষয়ৰ সম্পৰ্কে সঠিক জ্ঞান দিবলৈ শিক্ষকে ক্ৰমান্বয়ে **জনাৰ পৰা নজানা বিষয়লৈ** গতি কৰিব।
- ছাত্ৰ-ছাত্ৰীৰ পঠন সাৱলীলতা বৃদ্ধি আৰু পঠনৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰিবলৈ শিক্ষকে সৰৱ পঠন, অংশীদাৰী পঠন, বাতৰি কাকতৰ শিৰোনাম, বিভিন্ন সমল পঠন, ছবি চাই সাধু পঢ়া আদি কাৰ্য কৰাব।
- শিক্ষকে প্ৰয়োজন অনুসৰি ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাক্ষৰতা বিকাশৰ বাবে পঠন আৰু লিখন কোণক ভিত্তি কৰি কৰা কাৰ্যকলাপ, নাটক আৰু ভাও লোৱা, গল্প আৰু সাধু কোৱা, শুনা আৰু লিখা ইত্যাদি কাৰ্য কৰাব।
- পৰীক্ষামূলক আৰু বাস্তৱ জগতৰ লগত সংগতি থকা শিক্ষাদান পদ্ধতিৰ প্ৰয়োগ কৰিব।
- শিকনত সমস্যাৰ সন্মুখীন হোৱা শিশুক সমৰ্থন আগবঢ়াব।
- অবিৰত মান-নিৰূপণ আৰু **সঘনে শিকন ঘাটি চিনাক্ত** কৰি বিষয়বস্তুৰ জ্ঞানতকৈ তাৰ ধাৰণা বিকাশৰ কৌশল আয়ত্তত গুৰুত্ব আৰোপ কৰিব।
- শিক্ষকসকলে মাজে সময়ে শিশুসকলৰ অগ্ৰগতিৰ ধাৰা জানিবলৈ বা সঠিকভাৱে অৰ্হতাসমূহ আয়ত্ত কৰিব পাৰিছেনে নাই জানিবলৈ মান-নিৰূপণৰ বিভিন্ন কৌশল সম্পৰ্কে ধাৰণা আয়ত্ত কৰিব।
- বুনিয়াদী সাংখ্যিকতা হ'ল দৈনন্দিন জীৱনৰ বিভিন্ন সমস্যা সমাধানত সাধাৰণ সাংখ্যিক ধাৰণা আৰু প্ৰয়োগৰ অৰ্হতা। সেয়েহে শিক্ষকে প্ৰাক্-প্ৰাথমিক শ্ৰেণীত কিছুমান উপাদান যেনে- প্ৰাক্ সাংখ্যিক ধাৰণা, জোখ-মাখ, আকৃতি আৰু চানেকিৰ বিশেষবোধ ইত্যাদি বুনিয়াদী সাংখ্যিকতা

বিকাশৰ অৰ্হতা আহৰণৰ মূল লক্ষ্য হিচাপে ল'ব লাগিব।

- কাৰ্যক্ৰমনিকাখনত উল্লেখ কৰা ধৰণে একাদিক্ৰমে গণিতৰ পাঠ্যপুথি ('নতুন গণিত' প্ৰথম আৰু দ্বিতীয় ভাগ) আৰু গাণিতিক সমলখনত উল্লেখ কৰা ক্ৰিয়া-কলাপসমূহ (আৰ্হিমতে) নিৰ্দেশনা অনুসৰি শ্ৰেণীকোঠাত সম্পাদিত কৰিব যাতে প্ৰতিটো শিকনীয় দিশৰ ক্ষেত্ৰত শিকাৰুৰ দৃঢ়তা অনাৰ বাবে সক্ষম হয় আৰু দৈনন্দিন জীৱনৰ সময়োচিত ক্ৰিয়া-কলাপত ব্যৱহাৰ কৰিব পাৰে।
- ক্ৰিয়া-কলাপসমূহ শ্ৰেণীকোঠাত সম্পাদিত কৰাৰ ক্ষেত্ৰত **প্ৰয়োজনীয় শিথিলতা** ৰাখিব পাৰিব। কিছুমান ক্ৰিয়া-কলাপ সম্পাদন কৰোঁতে কাৰ্যক্ৰমনিকাখনত **নিৰ্ধাৰিত কৰা দিন বা পিৰিয়ডতকৈ কম বা বেছি সময় লাগিব** পাৰে।
- প্ৰতিগৰাকী শিশুৰ বাবে প্ৰতিটো শিকনীয় দিশ আয়ত্ত কৰিব পৰাটো নিশ্চিত কৰিব।

**বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ শিকন ফলাফলসমূহ পাঠ্যপুথিৰ পাঠসমূহৰ লগত কেনেদৰে সংযোজিত কৰিব —**

- শিক্ষকে প্ৰথমে শিকন ফলাফলসমূহ নিৰ্দিষ্ট পাঠৰ লগত সংগতি ৰাখি বাছি উলিয়াব।

যেনে- শিকন ফলাফল ECL1 4.7 এই শিকন ফলাফল অংকুৰণ (প্ৰথম ভাগ)ৰ পৃষ্ঠা ১০, ১২, ২৪, ৩৮, ৪৭ ইত্যাদিত পোৱা যাব। ঠিক তেনেদৰে শিকন ফলাফল ECL1 4.1 শিকন ফলাফল অংকুৰণ (প্ৰথম ভাগ)ৰ পৃষ্ঠা ১, ২, ৯,১১, ১৫, ২৯ আদি পৃষ্ঠাবোৰত পোৱা যাব।

- শিকন ফলাফল ILM 4.9, 4.13 নতুন গণিত (প্ৰথম ভাগ) ৰ পৃষ্ঠা নং ৫ ৰ পৰা ১৯ লৈ পোৱা যাব।
- এনেদৰে পাঠ্যপুথিৰ পাঠসমূহৰ লগত হাতপুথিত দিয়াৰ দৰে শিকন ফলাফলসমূহ প্ৰতিটো পাঠৰ লগত মিলাই লৈ শ্ৰেণীকোঠাত পাঠৰ আদান-প্ৰদান কৰিব।

## বুনিয়াদী স্তৰত মান-নিৰূপণ ঃ

মান-নিৰূপণ হৈছে শিক্ষণ-শিকনৰ সৈতে সমন্বিত এটা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াই বিভিন্ন উৎসৰ পৰা শিশুৰ জ্ঞান, কৌশল, দৃষ্টিভংগী, সক্ষমতা আৰু আস্থা সম্পৰ্কে তথ্য আহৰণ কৰি এই তথ্যসমূহ নিৰ্দেশনাত্মক সিদ্ধান্ত গ্ৰহণ, শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ সংশোধন আৰু সৰ্বশেষত শিশুৰ শিকন উন্নত কৰা কাৰ্যত ব্যৱহাৰ কৰাকে বুজায়। এই প্ৰক্ৰিয়াই মূলতঃ শিক্ষকৰ সৰলীকৰণতো গুৰুত্ব প্ৰদান কৰে যাতে ইতিমধ্যে উল্লেখ কৰা **তিনিটা বিকাশমূলক লক্ষ্যৰ ভিত্তিত** নিৰ্ধাৰিত শিকন ফলাফল সমূহ আহৰণ কৰাত শিক্ষকসকলে শিশুৰ একক আৰু লগতে শ্ৰেণীকোঠাৰ সামগ্ৰিক প্ৰভাৱ বিবেচনা কৰিব পাৰে। বুনিয়াদী স্তৰৰ মান-নিৰূপণৰ দুটা প্ৰধান ভাগ হল-

- **বিদ্যালয়ভিত্তিক মান-নিৰূপণ** [ School Based Assessment (SBA)]
- **বিস্তৃত পাৰদৰ্শিতাৰ সমীক্ষা** [Large- Scale Achievment Survey]

□ □□ □ □ □ □ হৈছে, শিশুৰ বহুমুখী অভিজ্ঞতা আৰু ক্ৰিয়া-কলাপসমূহত দেখুওৱা পাৰদৰ্শিতাৰ হেঁচামুক্ত আৰু বিস্তৃত গুণগত পৰ্যৱেক্ষণ। মূল্যায়নৰ বিভিন্ন সামগ্ৰী আৰু কৌশল ব্যৱহাৰ কৰি এই মান-নিৰূপণ কৰা হয়, যেনে-প'ৰ্টফ'লিঅ', ঘটনালব্ধ তথ্য, পৰীক্ষণ তালিকা আৰু শিক্ষক-অভিভাৱক, সমনীয়া, বন্ধু বৰ্গৰ লগত কথোপকথন বা ভাৱ বিনিময় ইত্যাদি। এনেধৰণৰ মান-নিৰূপণক সৰ্বাত্মক মান-নিৰূপণ বা ইংৰাজীত Holistic 360 degree assessment বুলি কোৱা হয়। গতিকে, বুনিয়াদী স্তৰত শিকনৰ মান-নিৰূপণ শৈক্ষিক বছৰৰ শেষত অনুষ্ঠিত লিখিত পৰীক্ষাতে সীমিত ৰাখিব নোৱাৰি।

আনহাতে, **বিস্তৃত পাৰদৰ্শিতাৰ সমীক্ষা** হ'ল আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয়, ৰাজ্যিক, জিলা, আদি পৰ্যায়ত **সংকেত** (code) ব্যৱহাৰ কৰি কৰা মান-নিৰূপণ।

**বিদ্যালয় ভিত্তিক মান-নিৰূপণৰ বাবে শিক্ষকে তিনি- চাৰিটা স্তৰ সামৰি ৰুব্ৰিক** (rubric) **প্ৰস্তুত কৰি ল'ব। যেনে-**

| | |
|---|---|
| ➢ **প্ৰাৰম্ভিক পৰ্যায়** (Beginner) | শিশুৱেপাঠত থকা বিভিন্ন তথ্য বিচাৰি উলিয়াব পাৰিছেনে নাই। |
| ➢ **প্ৰগতিশীল পৰ্যায়** (Progressing) | ইতিমধ্যে পোৱা তথ্যসমূহ শিশুৱে নিজৰ ভাষাত ব্যাখ্যা কৰিব পাৰিছেনে নাই। |
| ➢ **সুদক্ষ পৰ্যায়** (Proficient) | শিশুৱে পোৱা তথ্যসমূহ উপযোগী হয় নে নহয় বিবেচনা কৰিব পাৰিছেনে নাই। |
| ➢ **উন্নত পৰ্যায়** (Advanced) | শিশুৱে পোৱা তথ্যসমূহ ব্যৱহাৰ কৰিব পাৰিছে নে নাই। - |

**লক্ষ্য অনুসৰি শিক্ষকে কেনেদৰে মান-নিৰূপণ কৰিব-**

১. **প্ৰথম লক্ষ্য ঃ** এই লক্ষ্যৰ অধীনত মান-নিৰূপণৰ ক্ষেত্ৰত শিক্ষকে মনকৰিবলগীয়া দিশসমূহ হৈছে- শিশুৰ শাৰীৰিক বিকাশ, ব্যায়াম আৰু খেলা-ধূলা, পৰিচ্ছন্নতাৰ সু-অভ্যাস গঠন, সামগ্ৰিক পৰিপাটি বা শৃংখলা বদ্ধভাৱে ৰখা, সামাজিক আৰু আৱেগিক বিকাশ, বন্ধুবৰ্গৰ সৈতে সময় কটাবলৈ ভালপোৱা, গীত, কবিতা, চিত্ৰকলা, পুতলা নাচ ইত্যাদিৰ লগতে কাগজেৰে পুতলা সজা আদি কাৰ্য অন্তৰ্ভুক্ত কৰা। উদাহৰণস্বৰূপে, কাগজ ভাঁজ কৰি বা কাগজেৰে পুতলা তৈয়াৰ কৰা ক্ৰিয়া-কলাপসমূহ কৰোঁতে শিশুৱে শিক্ষকে দেখুওৱা মতে কাৰ্যটোৰ ক্ৰম অনুসৰণ কৰিব পাৰিছে নে নাই বা শিক্ষকে প্ৰদৰ্শন কৰা আচৰণ অনুকৰণ কৰিব পাৰিছে নে নাই- এইটো নিৰীক্ষণ কৰিও শিশুৰ মান-নিৰূপণ কৰিব পাৰি।

২. **দ্বিতীয় লক্ষ্য ঃ** শিশুৱে অৰ্থ বুজি সলসলীয়াকৈ পঢ়িব পৰাটো হৈছে সাক্ষৰতাৰ মান-নিৰূপণৰ মূল কথা। তাৰ বাবে পঠন সামগ্ৰী যিকোনো হ'ব পাৰে। উদাহৰণস্বৰূপে - এখন প'ষ্টাৰ, বটলৰ লেবেল, ফলক চিহ্ন, ৰে'লৰ সময়সূচী ইত্যাদি। সেইমতে এখন প'ষ্টাৰ দেখুৱাই শিক্ষকে যিকোনো প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰে, যেনে - এই প'ষ্টাৰখনৰ দ্বাৰা আমাক কি কৰিবলৈ কোৱা হৈছে?

৩. **তৃতীয় লক্ষ্য ঃ** শিশুৰ বাবে সাংখ্যিকতা শিকন কেৱল সংখ্যা গণনা কৰাতেই সীমিত নহয়। বৰঞ্চ, ই গণিতৰ ভাষা শিকন আৰু শিশুৰ পৰিৱেশৰ লগত সম্পৰ্ক ৰাখি প্ৰয়োজন সাপেক্ষে গণিতৰ ব্যৱহাৰ শিকাত অধিক গুৰুত্ব প্ৰদান কৰে। উদাহৰণস্বৰূপে, কাষৰ তৰাৰ ছবিখনত শিশুক তৰাবোৰ গণনা কৰা আৰু ৰং কৰিবলৈ কোৱাৰ পৰিৱৰ্তে বিভিন্ন কাগজত দুটাকৈ, তিনিটাকৈ আৰু চাৰিটাকৈ তৰাৰ গোট গঠন কৰি, সেইবোৰত বিভিন্ন ৰং কৰিবলৈ উৎসাহ দিব। লগতে দুই, তিনি আৰু চাৰিৰ কেইটাকৈ গোট গঠন হ'ল সেইটো পৰ্যৱেক্ষণ কৰিবলৈ দি সেইবোৰৰ মাজত থকা সম্বন্ধবোৰ চাবলৈ দিব।

তথাপিও, শ্ৰেণীকোঠাত শিকন ফলাফল অনুসৰি বিভিন্ন স্তৰত **শিশুৰ শিকনৰ অগ্ৰগতিৰ মান-নিৰূপণ কৰাটো প্ৰয়োজন**। তলত উল্লেখ কৰা তালিকা অনুসৰি শিশুৰ শিকনৰ অগ্ৰগতিৰ স্তৰবোৰ পোৱা যায়-

| স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ৪ |
|---|---|---|---|
| নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত, শিক্ষকৰ সহায়ত নিৰ্দিষ্ট শিকন ফলাফল আয়ত্ত কৰিবলৈ চেষ্টা কৰে। | নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত, শিক্ষকৰ সহায়ত নিৰ্দিষ্ট শিকন ফলাফল আয়ত্ত কৰে। | শিশুৱে নিজে নিজে শিকন ফলাফলসমূহ আয়ত্ত কৰে। | নিজে শিকন ফলাফলসমূহ আয়ত্ত কৰাৰ উপৰি আনকো শিকন ফলাফলসমূহ আয়ত্ত কৰিবলৈ সহায় কৰে আৰু অতিৰিক্ত প্ৰত্যাহ্বানমূলক কাৰ্য-কলাপ কৰিবলৈ বিচাৰে। |

**উদাহৰণস্বৰূপে-** (১) **বুনিয়াদী স্তৰৰ HW 4.8** শিকন ফলাফলৰ বাবে মান-নিৰূপণৰ স্তৰবোৰ তলৰ তালিকাত দিয়া হ'ল-
কাৰ্যকলাপ আৰ্হি (১) ছবি আঁকি ৰং কৰা-

| **স্তৰ ১** | **স্তৰ ২** | **স্তৰ ৩** | **স্তৰ ৪** |
|---|---|---|---|
| শিশুৱে অঁকা ছবিখনত কি ৰং দিব **শিক্ষকক সুধিব** ( শিক্ষকে শিশুৰ লগত তেওঁলোকৰ পছন্দৰ ৰঙৰ বিষয়ে আলোচনা কৰিব আৰু ৰঙৰ সম্ভাৰৰ পৰা তেওঁলোকৰ ভাল লগা ৰংটো বাছনি কৰিববৈলে শিক্ষকে তেওঁলোকক উৎসাহিত কৰিব)। | শিশুৱে শিক্ষকক নিজৰ **পছন্দৰ ৰং দেখুৱাই শিক্ষকৰ সন্মতি বিচাৰিব।** (শিক্ষকে ছবি অনুযায়ী শিশুক ৰং বাছিবলৈ উৎসাহিত কৰি ৰং কৰিবলৈ দি'ব)। | শিশুৱে নিজৰ পছন্দৰ ৰংটো বাছি লৈ তেওঁৰ ছবি খনত ৰং দিয়া সম্পূৰ্ণ কৰিব। (শিক্ষকে শিশুক বিভিন্ন ৰং বাছি উলিয়াবলৈ আৰু আন শিশুসকলক সহায় কৰিবলৈ উৎসাহিত কৰিব)। | শিশুৱে নিজৰ ছবিখনত **ৰং দিয়া সম্পূৰ্ণ কৰি** শিক্ষকৰ অনুমতি লৈ **তেওঁৰ আন লগৰীয়াকো ৰং বাছিবলৈ সহায় কৰিব** (প্ৰশংসা কৰোঁতে শিক্ষকে শিশুক বিভিন্ন ৰং বাছি উলিয়াবলৈ আৰু আন শিশুসকলক সহায় কৰিবলৈ উৎসাহিত কৰিব)। |

(২) বুনিয়াদী স্তৰৰ ECL1 4.9 শিকন ফলাফলৰ বাবে মান-নিৰূপণৰ স্তৰবোৰ তলৰ তালিকাত দিয়া হ'ল-
কাৰ্য-কলাপ আৰ্হি ২ ঃ শিশুসকলে বিভিন্ন ছবি চাই ছবিত থকা বস্তুৰ নাম ক'ব পাৰিব।

| **স্তৰ ১** | **স্তৰ ২** | **স্তৰ ৩** | **স্তৰ ৪** |
|---|---|---|---|
| শিশুৱে তেওঁলোকক দেখুওৱা ছবি চাই **কিছুমান বস্তুৰ নাম ক'ব** পাৰিব। (শিক্ষকে শিশুক তেওঁলোকে নজনা নামবোৰ কবলৈ কিছু **আভাস দিব** আৰু **উৎসাহিত কৰিব**)। | শিশুৱে ছবি চাই কিছুমান ছবিৰ নাম ক'ব আৰু নজনা ছবিবোৰৰ নাম **তেওঁলোকৰ ঘৰুৱা ভাষা ব্যৱহাৰ কৰি ক'ব** (শিক্ষকে প্ৰশংসা কৰিব আৰু বিভিন্ন ছবিবোৰৰ নাম ক'বলৈ উৎসাহিত কৰিব)। | শিশুৱে ছবি চাই প্ৰায় আটাইকেইখন ছবিৰ নাম ক'ব পাৰিব লগতে নিজৰ ঘৰুৱা ভাষা ব্যৱহাৰ কৰিও সকলো ছবিৰ নাম ক'বলৈ সক্ষম হ'ব। (শিক্ষকে শিশুসকলক **প্ৰশংসা কৰিব** আৰু **আন আন শিশুকো সহায় কৰিবলৈ** উৎসাহিত কৰিব)। | শিশুৱে ছবি চাই **সকলো ছবিৰ নাম ক'ব পাৰিব** আৰু শিক্ষকৰ অনুমতি লৈ নিজৰ **সমনীয়াকো ছবিৰ নামবোৰ ক'বলৈ সহায় কৰিব।** (শিক্ষকে শিশুসকলক প্ৰশংসা কৰিব আৰু তেওঁলোকক এনেদৰে কৰি যাবলৈ উৎসাহিত কৰিব)। |

(৩) **বুনিয়াদী স্তৰৰ ILM 4.25** শিকন ফলাফলৰ বাবে মান-নিৰূপণৰ স্তৰবোৰ তলৰ তালিকাত দিয়া হ'ল-
কাৰ্য-কলাপ আৰ্হি ৩ ঃ বিভিন্ন দ্বিমাত্ৰিক আকৃতি চিনাক্ত কৰিব আৰু বৰ্ণনা কৰিব পাৰিব।

| **নিৰ্ণায়ক** | **স্তৰ ১** | **স্তৰ ২** | **স্তৰ ৩** |
|---|---|---|---|
| আকৃতিবোৰৰ নাম আৰু বৈশিষ্টবোৰ ক'ব পৰা। | আকৃতিবোৰ আঁকিব পাৰিব কিন্তু বিভিন্ন দৃষ্টিকোণৰ পৰা প্ৰদত্ত আকৃতিটোৰ নাম ক'বলৈ সক্ষম নহ'ব। | আকৃতিবোৰ আঁকিব পাৰিব আৰু বিভিন্ন দৃষ্টিকোণৰ পৰা প্ৰদত্ত আকৃতিটোৰ নাম ক'ব পাৰিব। | আকৃতিবোৰ আঁকিব পাৰিব। বিভিন্ন দৃষ্টিকোণৰ পৰা প্ৰদত্ত আকৃতিটোৰ নাম ক'ব আৰু বৰ্ণনা কৰিব পাৰিব। |

মন কৰিবলগীয়া যে ৫-১৫ শতাংশ শিশুৰ সহায়ৰ প্ৰয়োজন হয়। সেই শিশুসকল ভিন্ন ভাষিক পটভূমিকে ধৰি বিভিন্ন আৰ্থ সামাজিক পৰিৱেশৰ পৰা আহিব পাৰে। আকৌ সেই একেটা শ্ৰেণীতে **প্ৰতিভাশালী শিশু** (Gifted Children) থাকিব পাৰে, যাৰ বাবে শিক্ষকে অধিক **প্ৰত্যাহ্বানমূলক কাৰ্য-কলাপৰ** পৰিকল্পনা কৰাটো প্ৰয়োজন।

***ওপৰত উল্লিখিত উদাহৰণত দিয়া স্তৰসমূহ সামৰি শিশুসকলে নিজে, সমনীয়া, অভিভাৱক / পিতৃ-মাতৃ আদিৰ দ্বাৰা কৰা মান-নিৰূপণেৰে সৰ্বাত্মক অগ্ৰগতিৰ মান-নিৰূপণ সম্ভৱ।***

***শিক্ষকে প্ৰতিগৰাকী শিশুৰ বাবে সাক্ষৰতা আৰু সাংখ্যিকতাৰ অগ্ৰগতিৰ খতিয়ান টুকি ৰাখিব।***

## প্ৰথম শ্ৰেণীৰ ভাষা শিকনৰ লক্ষ্য

- চৌপাশৰ পৰিৱেশ, নিজৰ প্ৰয়োজন সম্পৰ্কে সমনীয়া আৰু শ্ৰেণী শিক্ষকৰ সৈতে কথোপকথন কৰিব পাৰিব।
- শ্ৰেণীকোঠাত থকা ছপা সামগ্ৰীৰ বিষয়ে ক'ব পাৰিব।
- অংগ-ভংগীৰে ভংগীমা গীত, পদ্য, কবিতা, গীত আদি আবৃত্তি কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীয়ে সৰৱে পঢ়িব পৰা, সাধু কথন/কথন আৰু কথোপকথন/সঁজুলি আৰু পুতলাৰ কহিনী/কথনত অভিনয় সহ অংশগ্ৰহণ কৰিব পাৰিব।
- বানানত ধ্বনি প্ৰতীক সংযোগ কৰি নতুন শব্দ সৃষ্টি কৰিব পাৰিব।
- ৪-৫টা শব্দৰ সৰল বাক্যৰ চিনাকি অচিনাকি পাঠ পঢ়িব পাৰিব।
- পৰিচিত প্ৰসংগ (সাধু, পদ্য, পৰিৱেশত উপলব্ধ ছপা সামগ্ৰী)ত মাত্ৰাৰ সংযোগেৰে শব্দ লিখিব পাৰিব।
- শিশুৱে কাৰ্যপত্ৰ, শুভেচ্ছাপত্ৰত ছবি চিনাক্ত কৰি লিখিব পাৰিব আৰু নিজে অংকন কৰা ছবিৰ নাম লিখিব পাৰিব।

□ □□ □□ □□□□□ □

**ECL1 4.1-** নিজৰ ভাষা/ঘৰুৱা ভাষাৰে নিজৰ প্ৰয়োজনসমূহ আনৰ আগত প্ৰকাশ কৰিব আৰু তথ্য আহৰণ কৰিবলৈ প্ৰশ্ন সুধিব।

**ECL1 4.2 (a)-** নিৰ্দিষ্ট পঠন কোণ/ক্ষেত্ৰৰ পৰা কিতাপ নিৰ্বাচন কৰি ছবিৰ সহায়ত কথোপকথন/বৰ্ণনা কৰিব পাৰিব।

**ECL1 4.3 (a)-** পৰিচিত সাধুৰ সৈতে নিজৰ অভিজ্ঞতা সংযোগ কৰিব পাৰিব আৰু সেই বিষয়ে নিজৰ ভাষাৰে ক'ব পাৰিব।

**ECL1 4.3 (b)-**তেওঁলোকৰ প্ৰিয় খেলৰ বাবে নিজে নীতি-নিয়ম প্ৰস্তুত কৰিব পাৰিব।

**ECL1 4.4-** পৰিচিত পদ্য আৰু গীতত ছন্দযুক্ত শব্দ চিনাক্ত কৰিব পাৰিব আৰু নতুন ছন্দযুক্ত শব্দ গঠন কৰিব পাৰিব।

**ECL1 4.5-**কিতাপৰ পৃষ্ঠাবোৰ লুটিয়াই (পাঠ্যপুথি আৰু শিশু-সাহিত্য) পাঠবোৰৰ অৰ্থ অনুমান কৰিব পাৰিব আৰু বুজিবলৈ চেষ্টা কৰিব।

**ECL1 4.6-** অনুমান কৰিবলৈ আৰু বুজি পাবলৈ আখৰৰ সৈতে ছবিৰ সম্পৰ্ক ঘটাব পাৰিব।

**ECL1 4.7-** চৌপাশত থকা (ঘৰ, বিদ্যালয়, ওচৰ-পাজৰ) চৰাই-চিৰিকটি, জীৱ-জন্তুৰ বিষয়ে ক'ব পাৰিব আৰু নিজে উদ্ভাৱন কৰা বানান/পৰম্পৰাগত লিখন ব্যৱহাৰ কৰি সেইবোৰৰ বিষয়ে কেইটামান শব্দ লিখিব পাৰিব।

**ECL1 4.8-** সাধু, কবিতা পঢ়োঁতে আখৰৰ আকৃতি আৰু ধ্বনিসমূহৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰিব আৰু লিখনত তাক ব্যৱহাৰ কৰিব পাৰিব।

**ECL1 4.9-** নিজে আঁকা ছবি আৰু তেওঁলোকক দিয়া ছবিবোৰত (উপলব্ধ কৰোৱা) নাম দিব পাৰিব (বানান উদ্ভাৱন)।

### ঃ শিশুসকলৰ সুস্বাস্থ্য আৰু সুস্থ জীৱন যাপন কৰিব পৰা শিকন ফলাফলসমূহ ঃ

**HW 4.18 (a)-** সঠিক নিয়ন্ত্ৰণ আৰু শুদ্ধতাৰে সূক্ষ্ম সঞ্চালনমূলক কৌশল প্ৰদৰ্শন কৰিব পাৰিব, কলা সংযুক্ত ক্ৰিয়া-কলাপ/অংকন/ৰং কৰা/ক'লাজ প্ৰস্তুত কৰা ইত্যাদি ক্ৰিয়া-কলাপত জড়িত হ'ব পাৰিব।

**HW 4.17-** গীত, নৃত্য আৰু ভাও লোৱা, নাটক আদিৰ দৰে সৃষ্টিশীল সঞ্চালনমূলক ক্ৰিয়া-কলাপত সক্ৰিয় অংশগ্ৰহণ কৰিব।

## শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম শ্ৰেণীৰ ভাষাৰ শিকন ফলাফল সমূহ

| | প্ৰথম পৰ্যায় | দ্বিতীয় পৰ্যায় | তৃতীয় পৰ্যায় | চতুৰ্থ পৰ্যায় |
|---|---|---|---|---|
| মৌখিক ভাষা | প্ৰস্তুতিমূলক সম্ভাৰৰ ক্ৰিয়া-কলাপ | **HW 4.1**<br>শৰীৰৰ বিভিন্ন অংগসমূহ চিনাক্ত কৰিব পাৰিব আৰু বিভিন্ন অংগ সঞ্চালনৰ বাবে অংগ-ভংগীৰ ব্যৱহাৰ কৰিব পাৰিব।<br><br>**ECL1 4.1**<br>নিজৰ ভাষা/ঘৰুৱা ভাষাৰে নিজৰ প্ৰয়োজনসমূহ আনৰ আগত প্ৰকাশ কৰিব আৰু তথ্য আহৰণ কৰিববৈলে প্ৰশ্ন সুধিব পাৰিব।<br><br>■ ভিন ভিন ভাষাৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত নিজৰ নিজৰ ঘৰুৱা ভাষাত কোৱা কথাবোৰ মান্য ভাষা আৰু অন্যান্য ভাষাত আদান-প্ৰদান কৰিব পাৰিব।<br><br>■ সহজ নিৰ্দেশনা(ঘৰুৱা) শুনি বুজিব আৰু সেইবোৰ যথাযথভাৱে পালন কৰিব পাৰিব।<br><br>■ চিন্তা আৰু কল্পনা শক্তিৰ বিকাশৰ বাবে দেখি, শুনি পোৱা বিভিন্ন অভিজ্ঞতাবোৰ নিজাববীয়াকৈ প্ৰকাশ কৰিব পাৰিব। | **HW 4.2**<br>নিজৰ পৰিয়াল, বিস্তাৰিত পৰিয়াল আৰু ওচৰ-চুবুৰীয়াৰ প্ৰতি মৰম আৰু সন্মান প্ৰদৰ্শন কৰিব পাৰিব।<br><br>**ECL1 4.1**<br>নিজৰ ভাষা/ঘৰুৱা ভাষাৰে নিজৰ প্ৰয়োজনসমূহ আনৰ আগত প্ৰকাশ কৰিব আৰু তথ্য আহৰণ কৰিববৈলে প্ৰশ্ন সুধিব পাৰিব।<br>■ ঘৰ, চৌপাশ আৰু শ্ৰেণীকোঠাৰ পৰিৱেশ পৰ্যৱেক্ষণ কৰি বিভিন্ন ঘটনা সন্দৰ্ভত কথা ক'ব আৰু এইবোৰৰ বিষয়ে প্ৰশ্ন সুধিব পাৰিব।<br>■ গল্প, সাধু-কথা, কাহিনী আদি শুনি ক'ব আৰু এইবোৰৰ বিষয়ে প্ৰশ্ন সুধিব পাৰিব।<br><br>■ দেখা/শুনা সাধাৰণ দৈনন্দিন ঘটনা (হাস্যকৰ ঘটনাকে ধৰি) ঘৰুৱা বা মান্য ভাষাত ক'ব পাৰিব।<br>■ ঘৰ, চৌপাশ আৰু শ্ৰেণীকোঠাৰ পৰিৱেশ পৰ্যৱেক্ষণ কৰি বিভিন্ন ঘটনা সন্দৰ্ভত কথা ক'ব আৰু এইবোৰৰ বিষয়ে প্ৰশ্ন সুধিব পাৰিব।<br>**ECL1 4.4**<br>পৰিচিত পদ্য আৰু গীতত ছন্দযুক্ত শব্দ চিনাক্ত কৰিব পাৰিব আৰু নতুন ছন্দযুক্ত শব্দ গঠন কৰিব পাৰিব।<br>■ নিচুকনি গীত, ওমলা গীত, ভংগীমা গীত, পদ্য আদি শুনি ছাত্ৰ-ছাত্ৰীসকলে একক আৰু দলগতভাৱে যিকোনো পৰিৱেশত সেইবোৰ গাব আৰু আবৃত্তি কৰিব পাৰিব।<br>■ জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মাত শুনি এইবোৰ চিনাক্ত কৰিব পাৰিব। | **ECL1 4.3 (a)**<br>পৰিচিত সাধুৰ সৈতে নিজৰ অভিজ্ঞতা সংযোগ কৰিব পাৰিব আৰু সেই বিষয়ে নিজৰ ভাষাৰে ক'ব পাৰিব।<br>■ নিজে জনা সাধু-কথা আদি আনৰ আগত ক'ব পাৰিব।<br>■ ছবিৰ সহায়ত ক্ৰম অনুসৰি সাধু-কথা, কাহিনী ক'ব পাৰিব।<br>■ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঘৰুৱা ভাষাত নিঃসংকোচে, মুক্তভাৱে নিজৰ পৰিচয় দাঙি ধৰিব, কথোপকথন কৰিব আৰু নিজৰ মতামত ব্যক্ত কৰিব পাৰিব।<br>**ECL1 4.3 (b)**<br>তেওঁলোকৰ প্ৰিয় খেলৰ বাবে নিজে নীতি-নিয়ম প্ৰস্তুত কৰিব পাৰিব।<br>■ সহজ নিৰ্দেশনা(ঘৰুৱা) শুনি বুজিব আৰু সেইবোৰ যথাযথভাৱে পালন কৰিব পাৰিব।<br>**ECL1 4.4**<br>পৰিচিত পদ্য আৰু গীতত ছন্দযুক্ত শব্দ চিনাক্ত কৰিব পাৰিব আৰু নতুন ছন্দযুক্ত শব্দ গঠন কৰিব পাৰিব।<br><br>■ নিচুকনি গীত, ওমলা গীত, ভংগীমা গীত, পদ্য আদি শুনি ছাত্ৰ-ছাত্ৰীসকলে একক আৰু দলগতভাৱে যিকোনো পৰিৱেশত সেইবোৰ গাব আৰু আবৃত্তি কৰিব পাৰিব। |

## শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম শ্ৰেণীৰ ভাষাৰ শিকন ফলাফল সমূহ

| মূল শিকন ক্ষেত্ৰ | প্ৰথম পৰ্যায় | দ্বিতীয় পৰ্যায় | তৃতীয় পৰ্যায় | চতুৰ্থ পৰ্যায় |
|---|---|---|---|---|
| পঠন | **প্ৰস্তুতিমূলক সম্ভাৰৰ ক্ৰিয়া-কলাপ** | **ECL1 4.5**<br>কিতাপৰ পৃষ্ঠাবোৰ লুটিয়াই (পাঠ্যপুথি আৰু শিশু সাহিত্য) পাঠবোৰৰ অৰ্থ অনুমান কৰিব পাৰিব আৰু বুজিবলৈ চেষ্টা কৰিব।<br>**ECL1 4.2 (a)**<br>নিৰ্দিষ্ট পঠন কোণ/ ক্ষেত্ৰৰ পৰা কিতাপ নিৰ্বাচন কৰি ছবিৰ সহায়ত কথোপকথন/বৰ্ণনা কৰিব পাৰিব।<br>**ECL1 4.8**<br>সাধু, কবিতা পঢ়োঁতে আখৰৰ আকৃতি আৰু ধ্বনিসমূহৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰিব আৰু লিখনত তাক ব্যৱহাৰ কৰিব পাৰিব।<br>■ বৰ্ণজ্ঞান স্থায়ী হ'ব।<br>বৰ্ণজ্ঞান - অ, ব, খ, আ, ল, ক, ৰ, ম, ন, জ, ণ, ই, ত, উ, এ, ঈ, ঊ, ঋ, ও, ঐ, ঔ। | **ECL1 4.6**<br>অনুমান কৰিবলৈ আৰু বুজি পাবলৈ আখৰৰ সৈতে ছবিৰ সম্পৰ্ক ঘটাব পাৰিব<br>■ ছবি চাই জীৱ-জন্তু, চৰাই-চিৰিকটি আদি সাধাৰণ বস্তু বুজোৱা শব্দৰ ধ্বনি আৰু আখৰৰ আকাৰ চিনাক্ত কৰি নাম ক'ব আৰু বস্তুবোৰৰ সৈতে পৰিচয় হ'ব।<br>■ বাতৰি-কাকত, প্ৰচাৰ পত্ৰিকা, নামফলক (ঘৰৰ নাম, মানুহৰ নাম, পথৰ নাম, দোকানৰ নাম আদি) বিজ্ঞাপনফলকৰ পৰা চিনিপোৱা বৰ্ণবোৰ বাছি উলিয়াব আৰু এইবোৰ পঢ়িব পাৰিব।<br>■ বৰ্ণজ্ঞান স্থায়ী হ'ব।<br>বৰ্ণজ্ঞান - অ, ব, খ, আ, ল, ক, ৰ, ম, ন, জ, ণ, ই, ত, উ, এ, ঈ, ঊ, ঋ, ও, ঐ, ঔ।<br>**ECL1 4.8**<br>সাধু, কবিতা পঢ়োঁতে আখৰৰ আকৃতি আৰু ধ্বনিসমূহৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰিব আৰু লিখনত তাক ব্যৱহাৰ কৰিব পাৰিব।<br>■ চিত্ৰকাৰ্ড, শব্দকাৰ্ড আদিৰ সহায়ত বিভিন্ন ক্ৰিয়া-কলাপৰ জৰিয়তে বৰ্ণ ধ্বনিৰ লগত চিনাকি হ'ব।<br>**শুদ্ধভাবে পঢ়িব পাৰিব, স্বৰচিহ্নযুক্ত শব্দ পঢ়িব পৰিব।** | **ECL1 4.6**<br>অনুমান কৰিবলৈ আৰু বুজি পাবলৈ আখৰৰ সৈতে ছবিৰ সম্পৰ্ক ঘটাব পাৰিব।<br>■ বৰ্ণজ্ঞান স্থায়ী হ'ব।<br>বৰ্ণজ্ঞান - ট, চ, ফ, প, স, গ, হ, ছ, য়, ঠ, থ, ঢ়, ঢ, ভ, ঝ, ড, দ, ধ, ড়, ৎ, ক্ষ, ং ঙ, ঃ, ঁ<br>**ECL1 4.8**<br>সাধু, কবিতা পঢ়োঁতে আখৰৰ আকৃতি আৰু ধ্বনিসমূহৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰিব আৰু লিখনত তাক ব্যৱহাৰ কৰিব পাৰিব।<br>■ জনা আৰু নজনা লিখিত সামগ্ৰীবোৰ (যেনে— মধ্যাহ্ন ভোজনৰ চাৰ্ট, নিজৰ নাম, বিদ্যালয়ৰ নাম) মন দি চাব, পঢ়িব, আলোচনা কৰিব আৰু এইবোৰৰ অৰ্থ বিচাৰ কৰি যুক্তি দিব পাৰিব।<br>— চাৰ্টৰ ব্যৱহাৰ জানিব।<br>— দৈনন্দিন ব্যৱহাৰ্য বস্তুৰ তালিকাৰ ব্যৱহাৰ জানিব।<br>**শুদ্ধভাবে পঢ়িব পাৰিব, স্বৰচিহ্নযুক্ত শব্দ পঢ়িব পাৰিব।** |

## শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম শ্ৰেণীৰ ভাষাৰ শিকন ফলাফল সমূহ

| মূল শিকন ক্ষেত্ৰ | প্ৰথম পৰ্যায় | দ্বিতীয় পৰ্যায় | তৃতীয় পৰ্যায় | চতুৰ্থ পৰ্যায় |
|---|---|---|---|---|
| লিখন | **প্ৰস্তুতিমূলক সম্ভাৰৰ ক্ৰিয়া-কলাপ** | **HW 4.17**<br>গীত, নৃত্য আৰু ভূমিকা লোৱা, নাটক আদিৰ দৰে সৃষ্টিশীল সঞ্চালনমূলক ক্ৰিয়া-কলাপত সক্ৰিয় অংশগ্ৰহণ কৰিব।<br>**HW 4.18 (a)**<br>সঠিক নিয়ন্ত্ৰণ আৰু শুদ্ধতাৰে সূক্ষ্ম সঞ্চালনমূলক কৌশল প্ৰদৰ্শন কৰিব পাৰিব, কলা সংযুক্ত ক্ৰিয়া-কলাপ/অংকন/ৰং কৰা/ক'লাজ প্ৰস্তুত কৰা ইত্যাদি ক্ৰিয়া-কলাপত জড়িত হ'ব পাৰিব।<br>**ECL1 4.7**<br>চৰাই-চিৰিকটি, জীৱ-জন্তু আৰু চৌপাশৰ বিষয়ে (ঘৰ, বিদ্যালয়, ওচৰ-পাজৰ) ক'ব পাৰিব আৰু নিজে উদ্ভাৱন কৰা বানান/পৰম্পৰাগত লিখন ব্যৱহাৰ কৰি সেইবোৰৰ বিষয়ে কেইটামান শব্দ লিখিব পাৰিব।<br>■ ছবি চাই জীৱ-জন্তু, চৰাই-চিৰিকটি আদি সাধাৰণ বস্তু বুজোৱা শব্দৰ ধ্বনি আৰু আখৰৰ আকাৰ চিনাক্ত কৰি নাম ক'ব আৰু বস্তুবোৰৰ সৈতে পৰিচয় হ'ব।<br>■ বিভিন্ন শব্দকাৰ্ড আৰু চিত্ৰকাৰ্ডৰ সহায়ত স্বৰচিহ্ন যুক্ত শব্দ পঢ়িব আৰু লিখিব পাৰিব।<br>**ECL1 4.8**<br>সাধু, কবিতা পঢ়োঁতে আখৰৰ আকৃতি আৰু ধ্বনিসমূহৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰিব আৰু লিখনত তাক ব্যৱহাৰ কৰিব পাৰিব। | **ECL1 4.7**<br>চৰাই-চিৰিকটি, জীৱ-জন্তু আৰু চৌপাশৰ বিষয়ে (ঘৰ, বিদ্যালয়, ওচৰ-পাজৰ) ক'ব পাৰিব আৰু নিজে উদ্ভাৱন কৰা বানান/পৰম্পৰাগত লিখন ব্যৱহাৰ কৰি সেইবোৰৰ বিষয়ে কেইটামান শব্দ লিখিব পাৰিব।<br>**ECL1 4.9**<br>নিজে আঁকা ছবি আৰু তেওঁলোকক দিয়া ছবিবোৰত নাম দিব পাৰিব (বানান উদ্ভাৱন)।<br>■ নিৰ্দেশনা অনুসৰি আৰু নিজৰ ইচ্ছা অনুসৰি আঁক-বাঁক কৰিব আৰু চিত্ৰ আঁকিব। শ্ৰুতলিপি লিখিব। বানানৰ শুদ্ধতা আহৰণ কৰিব পাৰিব।<br>**ECL1 4.8**<br>সাধু, কবিতা পঢ়োঁতে আখৰৰ আকৃতি আৰু ধ্বনিসমূহৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰিব আৰু লিখনত তাক ব্যৱহাৰ কৰিব পাৰিব। | **ECL1 4.7**<br>চৰাই-চিৰিকটি,জীৱ-জন্তু আৰু চৌপাশৰ বিষয়ে (ঘৰ, বিদ্যালয়, ওচৰ-পাজৰ) ক'ব পাৰিব আৰু নিজে উদ্ভাৱন কৰা বানান/ পৰম্পৰাগত লিখন ব্যৱহাৰ কৰি সেইবোৰৰ বিষয়ে কেইটামান শব্দ লিখিব পাৰিব<br>■ ছবিৰ সহায়ত বা বস্তুৰ সহায়ত দুটা বৰ্ণযুক্ত আৰু তিনিটা বৰ্ণযুক্ত শব্দ পঢ়িব আৰু লিখিব পাৰিব।<br>**ECL1 4.9**<br>নিজে আঁকা ছবি আৰু তেওঁলোকক দিয়া ছবিবোৰত নাম দিব পাৰিব (বানান উদ্ভাৱন)।<br>■ শুদ্ধভাৱে লিখিব পাৰিব।<br>স্বৰচিহ্নযুক্ত শব্দ লিখিব পাৰিব।<br>■ ছাত্ৰ-ছাত্ৰীয়ে নিজ হাতে সঁজা সামগ্ৰীৰ ছবি আঁকি তাৰ তলত ঘৰুৱা ভাষাত সামগ্ৰীৰ নাম লিখিব।<br>— ঘৰুৱা ভাষাৰ শব্দৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।<br>শুদ্ধভাৱে লিখিব পাৰিব।<br>স্বৰচিহ্নযুক্ত শব্দ লিখিব পাৰিব।<br>■ ভাল লগা আৰু চিনাকি বস্তুৰ বিষয়ে ৪-৫টা শব্দেৰে সৰল বাক্য লিখিব পাৰিব।<br>— সৰল বাক্যৰ গঠন বুজিব। |

**টোকা ঃ** ***শিক্ষকে শ্ৰেণীকোঠাত আদান-প্ৰদান কৰোঁতে শৈক্ষিক দিনপঞ্জী অনুসৰি পাঠ্যপুথি আগবঢ়াই নিয়াৰ সময়ত শিকন ফলাফলসমূহৰ সৈতে নিশ্চিতভাবে সংযোগ স্থাপন কৰিব।***

## শ্ৰেণীপাঠ আদান-প্ৰদানত শিকন ফলাফল আৰু পাঠ্যপুথিৰ সম্পৰ্ক

### ঃ দ্বিতীয় পৰ্যায় ঃ

| শিকন ফলাফল | অংকুৰণ - ১ | নিৰ্দেশনাত্মক আৰ্হি | সঁজুলি |
|---|---|---|---|
| **HW 4.1** শৰীৰৰ বিভিন্ন অংগসমূহ চিনাক্ত কৰিব পাৰিব আৰু বিভিন্ন অংগ সঞ্চালনৰ ব্যৱহাৰ কৰিব পাৰিব। | পৃষ্ঠা ঃ ১, ৫, ১১, ১৫, ২৯, ৩০, ৫৭, ৬৫, ৭৯, ৮০, ৮৯, ৯১, ১২৫, ১৩১ | | |
| **ECL1 4.1** নিজৰ ভাষা/ঘৰুৱা ভাষা ব্যৱহাৰ কৰি নিজৰ প্ৰয়োজনসমূহ আনৰ আগত প্ৰকাশ কৰিব আৰু তথ্য আহৰণ কৰিবলৈ প্ৰশ্ন সুধিব পাৰিব। | পৃষ্ঠা ঃ১,২, ৯,১১, ২০,২৬, ২৭,৪০,৪১,৫৩-৫৫,৭৯, ৮২,৮৬,৮৮,৯৯,১০০, ১০১,১০২,১০৮,১১৮,১১৯,১৩৫ | আৰ্হি - ১ | L: 166-170 |
| **ECL1 4.5** কিতাপৰ পৃষ্ঠাবোৰ লুটিয়াই (পাঠ্যপুথি আৰু শিশুসাহিত্য) পাঠবোৰৰ অৰ্থ অনুমান কৰিব পাৰিব আৰু বুজি পাব। | অংকুৰণ আৰু পুথিভঁড়ালৰ আন পুথিসমূহ | | |
| **ECL1 4.2** নিৰ্দিষ্ট পঠন কোণ/ ক্ষেত্ৰৰ পৰা কিতাপ নিৰ্বাচন কৰি ছবিৰ সহায়ত কথোপকথন/বৰ্ণনা কৰিব পাৰিব। | অংকুৰণ আৰু পুথিভঁড়ালৰ আন পুথিসমূহ | | L :174,180, 173,171 |
| **ECL1 4.8** সাধু, কবিতা পঢ়োঁতে আখৰৰ আকৃতি আৰু ধ্বনিসমূহৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰিব আৰু লিখনত তাক ব্যৱহাৰ কৰিব পাৰিব। | পৃষ্ঠা ঃ -১, ১৫, ১৭, ২৯, ৩০,৪২,৫৩,৫৫,৫৭৬৫,৭৯, ৮৬,৮৭,৮৯,৯১,১০৬,১০৯, ১১৩,১১৮-১১৯ | আৰ্হি - ৩ | |
| **HW 4.17** সংগীত, নৃত্য আৰু সৃষ্টিশীল সঞ্চালনমূলক ক্ৰিয়া-কলাপ যেনে ভাও দিয়া, নাটক আদিত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰিব। | পৃষ্ঠা ঃ ১,১১,২৬,২৭, ২৯,৭৯,১০৯, ১৫,১২০, ১৩২ | আৰ্হি - ২ | |
| **HW 4.18 (a)** সঠিক নিয়ন্ত্ৰণ আৰু শুদ্ধতাৰে সূক্ষ্ম সঞ্চালনমূলক কৌশল প্ৰদৰ্শন কৰিব পাৰিব, কলা সংযুক্ত ক্ৰিয়া-কলাপ/অংকন/ৰং কৰা/ক'লাজ প্ৰস্তুত কৰা ইত্যাদি ক্ৰিয়া-কলাপত জড়িত হ'ব পাৰিব। | পৃষ্ঠা ঃ ৮৪, ৯৫, ৯৬, ৯৭, ৩৭,১১৪,১২০,১৩১,১৩০ | আৰ্হি - ৬ | |
| **ECL1 4.7** চৌপাশত থকা (ঘৰ, বিদ্যালয়, ওচৰ-পাজৰ) চৰাই-চিৰিকটি, জীৱ-জন্তুৰ বিষয়ে ক'ব পাৰিব আৰু নিজে গঠন কৰা বানান/পৰম্পৰাগত লিখন ব্যৱহাৰ কৰি সেইবোৰৰ বিষয়ে কেইটামান শব্দ লিখিব পাৰিব। | পৃষ্ঠা ঃ ১০, ২১, ২৪, ৩৮, ৪৭,৫০,৫৬,৬১,৬৭, ৬৯, ৮৩,৯২, ৯৩, ৯৪, ৯৫,১১৬,১২৩,১২৬, ১২৮ | আৰ্হি - ৬ | L : 64-90, 94-111, 149-163 164-168 |
| **ঃ তৃতীয় পৰ্যায়ঃ** | | | |
| **ECL1 4.1** নিজৰ ভাষা/ঘৰুৱা ভাষা ব্যৱহাৰ কৰি নিজৰ প্ৰয়োজনসমূহ আনৰ আগত প্ৰকাশ কৰিব আৰু তথ্য আহৰণ কৰিবলৈ প্ৰশ্ন সুধিব পাৰিব। | পৃষ্ঠা ঃ -১,২,৯,১১,২০,২৬, ২৭,৪০,৪১,৫৩,৫৪,৫৫,৭৯, ৮২,৮৬,৯৯,১০০, ১০১,১০২,১০৮,১১৮,১১৯,১৩৫ | আৰ্হি - ১ | L : 166-170 |
| **ECL1 4.4** পৰিচিত পদ্য আৰু গীতত ছন্দযুক্ত শব্দ চিনাক্ত কৰিব পাৰিব আৰু নতুন ছন্দযুক্ত শব্দ গঠন কৰিব পাৰিব। | পৃষ্ঠা ঃ -১,৩,১১,১৭,২৯,৩০, ৫৭,৬৫,৬৯,৭৯,৮০,৮৯,৯১,৯৯, ১০৬,১০৯,১১৩,১২৫ | আৰ্হি - ২ | |
| **ECL1 4.6** অনুমান কৰিবলৈ আৰু বুজি পাবলৈ আখৰৰ সৈতে ছবিৰ সম্পৰ্ক ঘটাব পাৰিব। | পৃষ্ঠা ঃ -৩-৭,১৩,১৭,২১,২৩, ২৪,৩০,৩১,৩৩,৩৫,৩৮,৪৫,৪৬,৪৭, ৫৭,৫৯,৬৬,৬৯,৭০,৭২,৮১,৯০, ১০৪,১১৬ | আৰ্হি - ৫ | L: 57-63 |
| **ECL1 4.8** সাধু, কবিতা পঢ়োঁতে আখৰৰ আকৃতি আৰু ধ্বনিসমূহৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰিব আৰু লিখনত তাৰ ব্যৱহাৰ কৰিব পাৰিব। | পৃষ্ঠা ১, ১৫, ১৭,২৯, ৩০, ৪২, ৫৭, ৬৫, ৭৯, ৮৬, ৮৭, ৮৯, ৯১, ১০৬, ১০৯, ১১৩, ১১৮-১১৯ | আৰ্হি - ৫ | L : 57-63 |

## ঃ তৃতীয় পৰ্যায়ঃ

| শিকন ফলাফল | অংকুৰণ - ১ | নিৰ্দেশনাত্মক আৰ্হি | সঁজুলি |
|---|---|---|---|
| **ECL1 4.7** চৌপাশত থকা (ঘৰ, বিদ্যালয়, ওচৰ-পাজৰ) চৰাই-চিৰিকটি, জীৱ-জন্তুৰ বিষয়ে ক'ব পাৰিব আৰু নিজে উদ্ভাৱন কৰা বানান/পৰম্পৰাগত লিখন ব্যৱহাৰ কৰি সেইবোৰৰ বিষয়ে কেইটামান শব্দ লিখিব পাৰিব। | পৃষ্ঠাঃ১০, ২১, ২৪, ৩৮, ৪৭, ৫০, ৫৬, ৬১, ৬৭,৬৯, ৮৩, ৯২, ৯৩, ৯৪, ৯৫, ১১৬, ১২৩, ১২৬, ১২৮ | আৰ্হি -৬ | L: 166-170 |
| **ECL1 4.9** নিজে অঁকা ছবি আৰু তেওঁলোকক দিয়া ছবিবোৰৰ নামৰ লেবেল লগাব পাৰিব (বানান উদ্ভাৱন)। | শিশুৱে অংকন কৰা ছবিসমূহৰ নাম নিজাববীয়াকৈ লিখিব। | | |

## ঃ চতুৰ্থ পৰ্যায়ঃ

| শিকন ফলাফল | অংকুৰণ - ১ | নিৰ্দেশনাত্মক আৰ্হি | সঁজুলি |
|---|---|---|---|
| **ECL1 4.3 (a)** পৰিচিত সাধুৰ সৈতে নিজৰ অভিজ্ঞতা সংযোগ কৰিব পাৰিব আৰু সেই বিষয়ে নিজৰ ভাষাৰে ক'ব পাৰিব। | পৃষ্ঠাঃ ২৬, ২৭, ৫৩, ৫৫, ৮০, ৮৭, ১১৫, ১১৬, ১১৯, ১২০, ১৩৫, | আৰ্হি -১ | L:74,180, 171- 173, |
| **ECL1 4.3(b)** তেওঁলোকৰ প্ৰিয় খেলৰ বাবে নিজে কিছুমান নীতি-নিয়ম প্ৰস্তুত কৰিব পাৰিব। | পৃষ্ঠা ঃ ১, ২, ৯ | | |
| **ECL1 4.4** পৰিচিত পদ্য আৰু গীতত ছন্দযুক্ত শব্দ চিনাক্ত কৰিব পাৰিব আৰু নতুন ছন্দযুক্ত শব্দ উদ্ভাৱন কৰিব পাৰিব। | পৃষ্ঠা ঃ -১, ৩, ১১, ১৭, ২৯, ৩০, ৫৭,৬৫, ৬৯, ৭৯, ৮০, ৮৯, ৯১, ৯৯,১০৬,১০৯,১১৩,১২৫ | আৰ্হি -২.৬,৮ | |
| **ECL1 4.6** অনুমান কৰিবলৈ আৰু বুজি পাবলৈ আখৰৰ সৈতে ছবিৰ সম্পৰ্ক ঘটাব পাৰিব। | পৃষ্ঠা ঃ ৩, ৭, ১৩, ১৭, ২১, ২৩, ২৪, ৩০, ৩১, ৩৩, ৩৫, ৩৮, ৪৫, ৪৬, ৪৭, ৫৭, ৫৯, ৬৬, ৬৯, ৭০, ৭২, ৮১, ৯০, ১০৪, ১১৬ | আৰ্হি -৫ | L : 64-90 |
| **ECL1 4.8** সাধু, কবিতা পঢ়োঁতে আখৰৰ আকৃতি আৰু ধ্বনিসমূহৰ প্ৰতি সজাগতা প্ৰদৰ্শন কৰিব আৰু লিখনত তাক ব্যৱহাৰ কৰিব পাৰিব। | পৃষ্ঠা ঃ ১, ১৫, ১৭, ২৯, ৩০, ৪২, ৫৩, ৫৫, ৫৭, ৬৫, ৭৯, ৮৬, ৮৭, ৮৯, ৯১,১০৬, ১০৯, ১১৩, ১১৮, ১১৯ | আৰ্হি -৫,২ | L :174,180, 171-173, |
| **HW 4.18 (c)** পেঞ্চিল সঠিকভাৱে ধৰিব পাৰিব, সাৱলীল আৰু নিয়ন্ত্ৰিতভাৱে আঙুলি আৰু হাতৰ সঞ্চালন কৰিব পাৰিব, প্ৰয়োজন সাপেক্ষে চকু আৰু হাতৰ সমন্বয় সাধন কৰিব পাৰিব (উদাহৰণস্বৰূপে- সৰু মুখনিৰ বটলত অলপ উপচি পৰাকৈ পানী ঢলা, আকৃতি অনুকৰণ কৰা)। | পৃষ্ঠা ঃ -৭, ৮৪, ৯১, ৯৫, ৯৬, ৯৭, ১১০, ১১৪, ১৩১ | | |
| **ECL1 4.7** চৌপাশত থকা (ঘৰ, বিদ্যালয়, ওচৰ-পাজৰ) চৰাই-চিৰিকটি, জীৱ-জন্তুৰ বিষয়ে ক'ব পাৰিব আৰু নিজে উদ্ভাৱন কৰা বানান/পৰম্পৰাগত লিখন ব্যৱহাৰ কৰি সেইবোৰৰ বিষয়ে কেইটামান শব্দ লিখিব পাৰিব। | পৃষ্ঠাঃ১০, ২১, ২৪, ৩৮, ৪৭, ৫০, ৫৬, ৬১, ৬৭, ৬৯, ৮৩, ৯২, ৯৩,৯৪, ৯৫, ১১৬, ১২৩, ১২৬, ১২৮ | আৰ্হি -৬ | L: 64-90, 94-111 |
| **ECL1 4.9** নিজে অকাঁ ছবি আৰু তেওঁলোকক দিয়া ছবিবোৰৰ (উপলব্ধ কৰোৱা) নামৰ লেবেল লগাব পাৰিব (বানান উদ্ভাৱন)। | শিশুৱে অংকন কৰা ছবিসমূহৰ নাম নিজাববীয়াকৈ লিখিব। | | |

## পাঠভিত্তিক আৰ্হি -

| | মূল উপাদান | শিকন ফলাফল | প্ৰক্ৰিয়া | শিক্ষণ-শিকন | পাঠ্যপু |
|---|---|---|---|---|---|
| ল<br>ৰী<br><br>ca- | ■ মৌখিক ভাষাৰ বিকাশ<br>■ শব্দৰ জ্ঞান<br>■ ধ্বনিগত সজাগতা<br><br>■ কথোপকথনৰ দক্ষতা<br><br>■ সৃজনশীল আত্ম-প্ৰকাশ | ECL1 4.1<br>শিশুসকলে নিজৰ প্ৰয়োজনীয়তা প্ৰকাশ কৰিবলৈ আৰু তথ্য আহৰণ কৰিবলৈ প্ৰশ্ন সোধাৰ বাবে নিজা ভাষা/<br>বিদ্যালয়ৰ ভাষা ব্যৱহাৰ কৰিব।<br><br>ECL1 4.3<br>শিশুৱে পঢ়া বা তেওঁলোকে জনা যিকোনো সাধুৰ সৈতে তেওঁলোকৰ ব্যক্তিগত অভিজ্ঞতা নিজ ভাষাত সংযোগ কৰিব পাৰিব আৰু সেই বিষয়ে কথা-বতৰা পাতিব পাৰিব। | কথন বিকাশ (শব্দ জ্ঞান, ধ্বনিগত সচেতনতা): শিশুসকলৰ কথন বিকাশৰ বাবে শিক্ষকে পাঠ নম্বৰ (পৃষ্ঠা নম্বৰ )ত থকা 'মেকুৰী আৰু কাউৰীৰ মিতিৰালি' সাধুটো ল'ব পাৰে আৰু সাধুটোৰ সংগত সংগতি ৰাখি বিভিন্ন প্ৰশ্ন সুধিব পাৰিব। যেনে-<br>- তোমালোকে মেকুৰী দেখিছানে ?<br>-তোমালোকৰ কাৰ কাৰ ঘৰত মেকুৰী আছে?<br>- মেকুৰীয়ে কেনেকৈ মাতে?<br>- মেকুৰীয়ে কি খায় ভাল পায়? ইত্যাদি।<br>ইয়াৰ উপৰি শিক্ষকে কাউৰীৰ বিষয়ে প্ৰশ্ন সুধি ছাত্ৰ-ছাত্ৰীসকলক সাধুটো জানিবলৈ উৎসাহী কৰি তুলিব। শিক্ষকে সাধুটোৰ প্ৰতিখন ছবি দেখুৱাই তাত কি কি দেখিছে ছাত্ৰ-ছাত্ৰীক একক আৰু দলীয়ভাৱে ক'বলৈ দিব।<br>শিশুৰ কথন বিকাশৰ বাবে সাধুটোৰ লগত সংগতি ৰাখি শিক্ষকে অন্য কিছুমান কৌশল ব্যৱহাৰ কৰিব। যেনে-<br>- সাধু বা আন বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীক ক'বলৈ সুবিধা দিব যাতে তেওঁলোকে কথনত সংকোচবোধ নকৰে। যেনে- 'নিজৰ বিষয়ে', 'পৰিৱেশৰ বিষয়ে', 'ঘৰৰ বিষয়ে', ইত্যাদি।<br>- পাঠৰ মূল শব্দবোৰ শিক্ষকে বাৰে বাৰে ক'ব আৰু ছাত্ৰ-ছাত্ৰীক ক'বলৈ দিব। যেনে- পাঠ নম্বৰ ত, মেকুৰী, কাউৰী, গছ, নদী, বৰশী ইত্যাদি।<br>- পাঠৰ লগত সংগতি ৰাখি কিছুমান ছবি দেখুৱাই সেই বিষয়ে কবলৈ দিব আৰু শব্দ উচ্চাৰণ কৰোঁতে শুদ্ধ উচ্চাৰণ কৰাত গুৰুত্ব দিব।<br>- শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক জনীয়া দলত ভগাই এটা নিৰ্দিষ্ট বিষয়ৰ বিষয়ে কথোপকথন কৰিবলৈ দিব পাৰে। যেনে- 'তুমি ভাল পোৱা পোহনীয়া জন্তু', 'তুমি ভাল পোৱা খেল', 'নিজৰ বিষয়ে' ইত্যাদি।<br>✳ বহুভাষিক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকে ছাত্ৰ-ছাত্ৰীক নিজৰ ভাষাত ভাৱ প্ৰকাশ কৰিবলৈ সাধু ক'বলৈ দিব। | পাঠ্যপুথি<br><br>মেকুৰী, কাউৰী, মাছ, বৰশী, ইত্যাদিৰ ছবি বা পুতলা আৰ্হি | অংকুৰণ (প্ৰথম<br>পাঠ নম্বৰ-<br>পৃষ্ঠা নম্বৰ-<br>(মেকুৰী আৰু<br>মিতিৰালি) |

# পাঠভিত্তিক আৰ্হি -

| লক্ষ্য ২ (Goal 2) | মূল উপাদান (Key Components) | শিকন ফলাফল | প্ৰক্ৰিয়া | শিক্ষণ-শিকন সামগ্ৰী | পাঠ্যপুথি পাঠৰ নাম পৃষ্ঠা নং |
|---|---|---|---|---|---|
| Goal 2<br><br>শিশুসকল সফল যোগাযোগকাৰী হ'ব।<br><br>Children become effective communi-cators (EC) | ■ ধ্বনিগত সজাগতা<br>■ মৌখিক ভাষাৰ বিকাশ | ECL1 4.4<br>পৰিচিত পদ্য আৰু গীতসমূহৰ ছন্দময় শব্দ চিনাক্তকৰণ আৰু নতুন ছন্দময় শব্দ গঠন কৰিব পাৰিব।<br>ECL1 4.8<br>পদ্য/কবিতা আৰু সাধু পঢ়োঁতে আৰু লিখোঁতে ধ্বনিৰ সচেতনতা দেখুৱাব পাৰিব। | ধ্বনিগত সচেতনতা আৰু মৌখিক ভাষাৰ বিকাশৰ বাবে পাঠ নম্বৰ পৃষ্ঠা )ত থকা " গুৱাহাটীলৈ যাওঁ," গীতটি অংগ-ভংগীৰে শিশুসকলৰ লগত গাব।<br>- শিক্ষকে প্ৰথমে সঠিক ছন্দ আৰু সুৰ প্ৰয়োগ কৰি ভংগীমা গীতটো গাব।<br>- এখন চাৰ্টত ছন্দময় শব্দবোৰ লিখি ল'ব যাতে ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে বুজি পায়।<br>- শিক্ষকে শ্ৰেণীত ভংগীমা গীতটো গাব আৰু ছাত্ৰ-ছাত্ৰীক শুনিবলৈ নিৰ্দেশনা দিব। এই কাৰ্য দুই বা তিনিবাৰ পুনাৰবৃত্তি কৰিব।<br>- শিক্ষকে খণ্ড খণ্ডকৈ ভংগীমা গীতটো গাই শুনাব।<br>- শিক্ষকৰ লগত একেলগে ছাত্ৰ-ছাত্ৰীকো ভংগীমা গীতৰ প্ৰতিটো শাৰী গাবলৈ নিৰ্দেশনা দিব।<br>- ছাত্ৰ-ছাত্ৰীৰ আয়ত্তলৈ নহালৈকে গীতটো গাই অনুশীলন কৰাব আৰু সঠিক ছন্দ আৰু সুৰ দিব।<br>- শেষত ছাত্ৰ-ছাত্ৰীক সমৱেতভাবে গাবলৈ দিব আৰু শিক্ষকে পুনৰবাৰ গোটেই গীতটো গাই শুনাব।<br>- ধ্বনিগত সচেতনতাৰ বাবে গীতটোত থকা ছন্দময় শব্দ সমূহ শিক্ষকৰ লগে লগে ছাত্ৰ-ছাত্ৰীকো ক'বলৈ দিব। এই কাৰ্য দুই বা তিনিবাৰ পুনৰাবৃত্তি কৰিব।<br>- এই গীতটোত থকা কিছুমান শব্দৰ লগত নতুন ছন্দময় শব্দ ব্যৱহাৰ কৰিবলৈ দিব। যেনে- যাম, চাম, আম, কাম।<br>- শিক্ষকে ছাত্ৰ-ছাত্ৰীক কিছুমান ডাঠ কাগজৰ টুকুৰাত নতুন আৰু গীতটোৰ পৰা ছন্দময় শব্দ লিখিবলৈ দিব। পাছত কাগজসমূহ মিহলাই দি এজন এজনকৈ ছাত্ৰ-ছাত্ৰীক শব্দবোৰ লিখিবলৈ দিব পাৰে। এই কাৰ্য এজন এজনকৈ ছাত্ৰ-ছাত্ৰী মাতি জড়িত কৰাব পাৰে।<br>শিক্ষকে ইয়াৰ বাহিৰে আন পদ্ধতি অৱলম্বন কৰিও ECL1 4.4 বা 4.8 কৰাব পাৰে। | পাঠ্যপুথি<br><br>ভংগীমা গীতৰ চাৰ্ট<br><br>ছন্দময় শব্দৰ চাৰ্ট<br><br>শব্দ কাৰ্ড<br>ধ্বনি কাৰ্ড<br><br>ডাঠ কাগজৰ টুকুৰা<br>ব্লেকবোৰ্ড | অংকুৰণ (প্ৰথম ভাগ)<br><br>গুৱাহাটীলৈ যাওঁ<br>পৃষ্ঠা নম্বৰ- |

## পাঠভিত্তিক আৰ্হি -

| লক্ষ্য ২ | মূল উপাদান | শিকন ফলাফল | প্ৰক্ৰিয়া | শিক্ষণ-শিকন সামগ্ৰী | পাঠ্যপুথি<br>পাঠৰ নাম পৃষ্ঠা |
|---|---|---|---|---|---|
| শিশুসকল সফল যোগাযোগকাৰী হ'ব। | পঠনবোধ<br>সাৱলীল পঠন<br>পঠনৰ অভ্যাস<br>পঠনৰ প্ৰতি আকৰ্ষণ | ECL1 4.1<br>শিশুসকলে নিজৰ প্ৰয়োজনীয়তা প্ৰকাশ কৰিবলৈ আৰু তথ্য আহৰণ কৰিবলৈ প্ৰশ্ন সোধাৰ বাবে নিজ নিজ ভাষা/বিদ্যালয়ৰ ভাষা ব্যৱহাৰ কৰিব পাৰিব।<br><u>ECL.1 4.2</u><br>পঠন কোণ পঠন ক্ষেত্ৰৰ পৰা কিতাপ বাছি ল'ব আৰু তাত থকা ছবিৰ সহায়ত কথোপকথন কৰিব আৰু সাধু ক'ব।<br>ECL.1 4.3<br>শিশুৱে পঢ়া বা তেওঁলোকে জনা যিকোনো সাধুৰ সৈতে তেওঁলোকৰ ব্যক্তিগত অভিজ্ঞতা নিজ ভাষাত সংযোগ কৰিব পাৰিব আৰু সেই বিষয়ে কথা পাতিব পাৰিব।<br>ECL.1 4.5<br>কিতাপৰ পৃষ্ঠা আগলৈ বা পাছলৈ লুটিয়াই পাঠৰ বিষয়ে অনুমান কৰিব আৰু পাঠৰ অৰ্থ উলিয়াবলৈ চেষ্টা কৰিব পাৰিব। (পাঠ্য পুথি শিশু-সাহিত্য) | শিক্ষকে 'আচল সখি' সাধুটো উপস্থাপন কৰাৰ আগতে সাধুৰ লগত সংগতি থকা ছবি ছাত্ৰ-ছাত্ৰীক দেখুৱাব। শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ বা তেওঁলোকৰ নিজৰ ভাষাত সাধুটো জানে নেকি সুধিব। যদি তেওঁলোকে জানো বুলি কয়, যিকোনো এজনক সাধুটো ক'বলৈ দিব আৰু যদি নাজানো বুলি কয়, তেতিয়া হ'লে শিক্ষকে সাধুটো বিদ্যালয়ৰ ভাষাত ক'ব। সাধুটো উপস্থাপন কৰোঁতে, শিক্ষকে তলত দিশসমূহ মনত ৰাখিব-<br>- শুদ্ধ উচ্চাৰণ, সঠিক সুৰ আৰু গুৰুত্ব থকা শব্দ আৰু বাক্যাংশত জোৰ দি ক'ব আৰু মুখৰ প্ৰকাশভংগী সঠিক ৰূপত প্ৰকাশ কৰিব।<br>- আৱশ্যক অনুযায়ী শিক্ষকে শব্দ বা ব্যাক্যাংশবোৰ ভাঙি ল'ব যাতে সাধুটো উপস্থাপন কৰাত ফলপ্ৰসূ আৰু মনোগ্ৰাহী হয়।<br>- ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ আৰু তেওঁলোকে সাধুটো ভালদৰে বুজি পাবলৈ কিছুমান শব্দ, বাক্যাংশ আৰু কিছুমান বাক্য বাৰে বাৰে ক'ব।<br>- হাবি, হৰিণী, নিগনি, কাউৰী, কাছ, ডেও দি ডেও দি ইত্যাদি শব্দ বা বাক্যাংশবোৰৰ অৰ্থ বিদ্যালয়ৰ ভাষাত কৈ দিব। লগতে শব্দবোৰ চাৰ্টত লিখি ছাত্ৰ-ছাত্ৰীক দেখুৱাবলৈ প্ৰস্তুত কৰি ল'ব।<br>- ছাত্ৰ-ছাত্ৰীয়ে এই শব্দ বা বাক্যাংশবোৰ বুজি বাক্যত প্ৰয়োগ কৰিব পাৰিব বুলি শিক্ষক নিশ্চিত হ'ব আৰু ছাত্ৰ-ছাত্ৰীসকলক এজন এজনকৈ সাধুটো সৰৱ পঠন কৰিবলৈ উৎসাহিত কৰিব।<br>- ছাত্ৰ-ছাত্ৰীসকলে সৰৱ পঠন কৰাৰ পাছত পাঠোদ্ধাৰৰ বাবে শিক্ষকে কিছুমান কৌশল গ্ৰহণ কৰিব। যেনে-<br>■ শিক্ষকে শিকাবলগীয়া বৰ্ণ কাৰ্ড আৰু শব্দ কাৰ্ড ছবিৰ লগত মিলাবলৈ দিব। উদাহৰণস্বৰূপে, 'ক' বৰ্ণৰে আৰম্ভ হোৱা শব্দ 'কাছ'ৰ ছবিকাৰ্ড ইয়াৰ শব্দ কাৰ্ডৰ লগত মিলাই দেখুৱাব।<br>■ শিক্ষকে যিকোনো এটা শব্দ (সাধুত থকা) দেখুৱাই তাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীক ছবি আঁকিবলৈ দিব। ছাত্ৰ-ছাত্ৰীক নিজে অকাঁ ছবিৰ নাম লিখিবলৈ দিব।<br>■ সাধুত থকা বিভিন্ন জন্তুৰ নাম আৰু তাৰ লগত সংগতি থকা বস্তু মিলাবলৈ দিব। উদাহৰণস্বৰূপে, কাছ আৰু পানী, কাউৰী আৰু গছ, হৰিণী আৰু হাবি ইত্যাদি।<br>ইয়াৰ উপৰি শিক্ষকে অন্য কৌশল ব্যৱহাৰ কৰি সাধুটো আকৰ্ষণীয় ৰূপত ছাত্ৰ-ছাত্ৰীৰ সন্মুখত উপস্থাপন কৰিব। | পাঠ্যপুথি<br>**মূল শিকন**<br>শব্দ চাৰ্ট<br>শব্দ কাৰ্ড, বাক্য কাৰ্ড,<br>বৰ্ণ কাৰ্ড, শব্দ কাৰ্ড, কাছৰ ছবি<br>মুখা, বাক্য কাৰ্ড, পুতলা আদি | অংকুৰণ (প্ৰথম ভাগ)<br>পাঠ নম্বৰ<br>আচল সখি<br>পৃষ্ঠা নম্বৰ |

## পাঠ আদান-প্ৰদান আৰ্হি-১

**শ্ৰেণীকোঠাত কেনেকৈ কথোপকথন কৰিব ?**

- কথোপকথনৰ আৰম্ভণিতে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ বিষয়ে জানি ল'ব।
- প্ৰসংগ সংগতি ৰাখি কথোপকথন আৰম্ভ কৰিব।
- চকুৰে চকুৰে চাই কথোপকথন কৰিব।
- কথোপকথনত শ্ৰোতাজনৰ দৃষ্টি বক্তাৰ সৈতে সংযুক্ত হৈ থাকিব।
- কথোপকথনত পৰৱৰ্তী সময়ত ক'বলগীয়া কথাখিনিও আগতীয়াকৈ যুগুতাই থ'ব যাতে যি প্ৰসংগত কথোপকথন চলি আছিল সেই বিষয়ে প্ৰশ্ন সুধিব পাৰে।
- কথোপকথন হৈ থকা সময়ত শিক্ষকে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবলৈ যত্ন কৰিব, উদাহৰণস্বৰূপে— 'ভাল হৈছে', 'তুমি ক'ব পাৰিবানে', 'চেষ্টা কৰিবা দেই', ইত্যাদি।
- কথোপকথন ওপৰা ওপৰি যাতে নহয় সেই বিষয়ত লক্ষ্য কৰিবলৈ দিব।
- শিক্ষকে প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে এনে এটা পৰিৱেশ সৃষ্টি কৰিব য'ত তেওঁলোক সহজ হ'ব পাৰে। যেনে— 'তোমালোকে কেনেকৈ বিদ্যালয়লৈ আহিলা ?', 'কি খাই আহিলা ?', 'আজি সাধু এটা শুনিবা নেকি ?', 'এই ছবিখন চাই কোৱাচোন কি কি দেখিছা ?' ইত্যাদি।
- যদি ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ দিবলৈ সংকোচ কৰে, তেনেহ'লে তেওঁলোকক উৎসাহিত কৰিবলৈ কিছুমান শব্দ ব্যৱহাৰ কৰিব। যেনে—'সঁচাইনে ?', 'বাঃ বঢ়িয়া', 'বৰ আমোদজনক', 'মোক ক'বই লাগিব', 'তুমি ক'ব পাৰিবানে, চেষ্টা কৰাচোন' ইত্যাদি।
- চাৰ্ট বা ছবিৰ যোগেদি শিক্ষকে কথোপকথন কৰাব পাৰে। প্ৰশ্ন সুধিও কথোপকথন কৰাব পাৰে। উদাহৰণস্বৰূপে, অংকুৰণৰ প্ৰথম ভাগৰ পৃষ্ঠা নম্বৰ ২৬ত থকা 'মেকুৰী আৰু কাউৰীৰ মিতিৰালি' পাঠটো ল'ব পাৰে। ইয়াত থকা ১ নম্বৰ ছবিখনত তোমালোকে কি দেখিছা বাৰু?' ক'লা চৰাইটোৰ নাম কি জানানে ? মেকুৰীটোৱে কি কৰি আছে, ইত্যাদি। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীক চিন্তা কৰি উত্তৰ দিবলৈ প্ৰশ্ন কৰিব পাৰে। যেনে—'মেকুৰীয়ে মাছ আৰু কি খাই ভাল পায়', 'কাউৰীয়ে কেনেকৈ মাতে', ইত্যাদি।
- সাধু বা আন বিষয়ে ছাত্ৰ-ছাত্ৰীক ক'বলৈ সুবিধা দিব যাতে তেওঁলোকে সংকোচবোধ নকৰে। যেনে— 'নিজৰ বিষয়ে', 'পৰিৱেশৰ বিষয়ে', 'ঘৰৰ বিষয়ে' ইত্যাদি।
- পাঠৰ মূল শব্দবোৰ শিক্ষকে বাৰে বাৰে ক'ব আৰু ছাত্ৰ-ছাত্ৰীকো ক'বলৈ দিব। যেনে— পাঠ নম্বৰ ৩- মেকুৰী, কাউৰী , মাছ, গছ, নদী, বৰশী ইত্যাদি।
- পাঠৰ লগত সংগতি ৰাখি কিছুমান ছবি দেখুৱাই সেই বিষয়ে ক'বলৈ দিব আৰু শব্দ উচ্চাৰণ কৰোঁতে শুদ্ধ উচ্চাৰণৰ বিষয়ত গুৰুত্ব দিব।
- শিক্ষকে শিশুসকলক চাৰি বা পাঁচ জনীয়া দলত ভগাই এটা নিৰ্দিষ্ট বিষয়ৰ বিষয়ে কথোপকথন কৰিবলৈ দিব পাৰে। যেনে— আমাৰ বিদ্যালয়, ভাল পোৱা খেল, নিজৰ বিষয়ে ইত্যাদি।

## পাঠ আদান-প্ৰদান আৰ্হি-২ ভংগীমা গীত

- শিক্ষকে প্ৰথমে ভংগীমা গীত গাবলৈ নিজকে প্ৰস্তুত কৰি ল'ব।
- শিক্ষকে প্ৰথমে সঠিক ছন্দ আৰু সুৰ প্ৰয়োগ কৰি ভংগীমা গীত গোৱাৰ অনুশীলন কৰিব।
- নিৰ্দিষ্ট ভংগীমা গীতৰ বাবে নিৰ্দিষ্ট চাৰ্ট ছবি আদি প্ৰস্তুত কৰি ল'ব।
- এখন চাৰ্টত ছন্দযুক্ত শব্দবোৰ লিখি ল'ব যাতে ছাত্ৰ-ছাত্ৰীসকলে ভালকৈ বুজি পায়।
- ছাত্ৰ-ছাত্ৰীৰ বাবে কাৰ্য-কলাপসমূহ প্ৰস্তুত কৰি ল'ব।

**ভংগীমা গীত বা ছন্দময় কবিতা কেনেকৈ আবৃত্তি বা গাব পাৰিঃ**

- শ্ৰেণীত সম্পূৰ্ণ ভংগীমা গীতটো প্ৰথমে শিক্ষকে গাব। ছাত্ৰ-ছাত্ৰীক শুনিবলৈ নিৰ্দেশনা দিব। এই কাৰ্য দুই- তিনিবাৰ পুনৰাবৃত্তি কৰিব।
- শিক্ষকে খণ্ড খণ্ডকৈ ভংগীমা গীত গাব।
- শিক্ষকৰ লগত একেলগে ছাত্ৰ-ছাত্ৰীকো ভংগীমা গীতৰ প্ৰতিটো শাৰী গাবলৈ নিৰ্দেশনা দিব।
- ভংগীমা গীতৰ প্ৰতিটো শাৰী ছাত্ৰ-ছাত্ৰীৰ আয়ত্তলৈ নহালৈকে শিক্ষকে একেলগে ছাত্ৰ-ছাত্ৰীৰ লগত গাই থাকিব।
- তাৰ পাছত সম্পূৰ্ণ ভংগীমা গীতটো সঠিক ছন্দ আৰু সুৰত গাব। আকৌ এবাৰ বা দুবাৰ পুনৰাবৃত্তি কৰিব।
- তাৰ পাছত ছাত্ৰ-ছাত্ৰীক সমৱেতভাৱে গাবলৈ বা আবৃত্তি কৰিবলৈ দিব।
- শিক্ষকে তাৰ পাছত নিজে ভংগীমা গীত গাব বা আবৃত্তি কৰিব আৰু বাকী অংশ ছাত্ৰ-ছাত্ৰীক সমৱেতভাৱে গাবলৈ বা আবৃত্তি কৰিবলৈ দিব।

**পাঠ আদান-প্ৰদান আৰ্হি-৩**

**সাধু কথন**

- শিক্ষকে প্ৰথমে সাধু ক'বলৈ নিজকে প্ৰস্তুত কৰি ল'ব।
- শিক্ষকে সাধু কথনহে কৰিব লাগে পঠন কৰিব নালাগে। গতিকে, শিক্ষকে পাঠৰ ভিত্তিত সাধু ক'বলৈ নিজকে সম্পূৰ্ণৰূপে আগতীয়াকৈ প্ৰস্তুত কৰি ল'ব।
- সাধুটো নাটকীয়ভাৱে উপস্থাপন কৰিব লাগে। সাধুত থকা বচনসমূহ বাস্তৱ জীৱনত উপস্থাপন কৰাৰ নিচিনাকৈ ক'ব লাগে আৰু শুদ্ধ আৱেগ (খং, ভয়, ঘৃণা, আনন্দ, কমনীয়তা আদি) প্ৰকাশ কৰিহে সাধুটো উপস্থাপন কৰিব লাগে।
- সাধুটো উপস্থাপন কৰাৰ সময়ত শুদ্ধ উচ্চাৰণ, সঠিক সুৰ আৰু গুৰুত্ব বুজি শব্দত জোৰ দি ক'ব আৰু মুখৰ প্ৰকাশভংগী সঠিক ৰূপত প্ৰকাশ কৰিব।
- গুৰুত্ব থকা শব্দ আৰু বাক্যাংশত জোৰ দি সাধুটো ক'ব যাতে ছাত্ৰ-ছাত্ৰীয়ে সহজে বুজি পায়।
- আৱশ্যক অনুযায়ী শিক্ষকে শব্দ বা বাক্যাংশবোৰ ভাঙি ল'ব যাতে সাধুটো উপস্থাপন কৰাত ফলপ্ৰসূ আৰু মনোগ্ৰাহী হয়।
- সাধুটো ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে বুজি পাবলৈ শব্দ, বাক্যাংশ আৰু কিছুমান বাক্য বাৰে বাৰে ক'ব।
- ক'বলগীয়া সাধুটো চাৰ্টত ছবিৰ সহায়ত উপস্থাপন কৰিব।
- তাৰ পাছত সাধুৰ লগত সংগতি থকা শব্দবোৰ চাৰ্টত লিখি প্ৰস্তুত কৰি ল'ব।

**শ্ৰেণীকোঠাত সাধুকথা কেনেকৈ উপস্থাপন কৰিবঃ**

- সাধুটো উপস্থাপন কৰাৰ আগতে সাধুৰ লগত সংগতি থকা ছবি ছাত্ৰ-ছাত্ৰীক দেখুৱাব।
- শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ বা তেওঁলোকৰ নিজৰ ভাষাত সাধুটো জানে নেকি সুধিব। যদি তেওঁলোকে জানো বুলি কয় যিকোনো এজনক সাধুটো ক'বলৈ দিব। আৰু যদি নাজানো বুলি কয় তেতিয়া হ'লে শিক্ষকে সাধুটো বিদ্যালয়ৰ ভাষাত ক'ব।
- ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ এনে কিছুমান শব্দ বা বাক্যাংশ শিক্ষকে সাধুটোৰ পৰা ক'ব যাতে ছাত্ৰ- ছাত্ৰীয়ে সাধুটোৰ বিষয়ে কিছু অনুমান কৰি ল'ব পাৰে। উদাহৰণস্বৰূপে, পাঠ নম্বৰ ৫ত থকা 'আচল সখি' - অংকুৰণ (প্ৰথম ভাগ)।
- হাবি, হৰিণী, নিগনি, কাউৰী, কাছ , বাঘ, হাবি ডেও দি ডেও দি ইত্যাদি, এনেকুৱা ধৰণৰ শব্দ বা

  বাক্যাংশবোৰৰ অৰ্থ বিদ্যালয়ৰ ভাষাত কৈ দিব।
- শিক্ষক নিশ্চিত হ'ব যে ছাত্ৰ-ছাত্ৰীয়ে এই শব্দ বা বাক্যাংশবোৰ বুজি বাক্যত প্ৰয়োগ কৰিব পাৰিব।

## বৰ্ণ/ আখৰ চিনিব পৰা, পঢ়িব পৰা, লিখিব-পৰা

শিক্ষকে ছাত্ৰ- ছাত্ৰীক নিৰ্দিষ্ট বৰ্ণ/ আখৰ চিনিব পৰা, পঢ়িব পৰা আৰু লিখিব পৰা কৰিবলৈ বিভিন্ন সমল ব্যৱহাৰ কৰিব পাৰে। যেনে-নিৰ্দিষ্ট বৰ্ণৰ ছবি কাৰ্ড, শব্দ কাৰ্ড, বৰ্ণ কাৰ্ড, পকেট বোৰ্ড, শস্যৰ গুটি, জুইশলাৰ কাঠি, সৰু শিল গুটি, বালিৰ ট্ৰে আদি।

**শ্ৰেণীকোঠাত শিক্ষকে এই সমল সমূহ কেনেদৰে ব্যৱহাৰ কৰিব ঃ**

-ছবি থকা শব্দ চাৰ্টৰ পৰা শিক্ষকে নিৰ্দিষ্ট বৰ্ণ থকা ছবিটো বাছি উলিয়াবলৈ দিব। লগতে ছবিখনৰ নাম শিক্ষকে বোৰ্ডত বা মজিয়াত লিখিব পাৰে।

- কোনো এখন নিৰ্দিষ্ট ছবি, বিভিন্ন ছবি কাৰ্ডৰ মাজৰ পৰা দলত বাছি উলিয়াবলৈ দিব আৰু ছবি চাৰ্টৰ লগত সংগতি ৰাখিব। শব্দবোৰ মিলাবলৈ দিব। যেনে ঃ

| বল | বল |
|---|---|

________ ________ ________ ________

________ ________ ________ ________



| | অ |
|---|---|

- নিৰ্দিষ্ট শব্দটো ধ্বনি অনুসাৰে উচ্চাৰণ কৰিবলৈ দিব (হাত চাপৰি দি)। প্ৰশ্নৰ জৰিয়তে উত্তৰ হিচাপে শব্দবোৰৰ আদি ধ্বনি আনিব। লগে লগে শিক্ষকে নিৰ্দিষ্ট ধ্বনিটোৰ আখৰটো (বৰ্ণটো) পৰিচয় কৰাই বাৰে বাৰে উচ্চাৰণ কৰাব।
- একে আকৃতি আৰু বিভিন্ন আকৃতিৰ মাজৰ পৰা নিৰ্দিষ্ট আখৰটোৰ আকৃতিটো বিচাৰি উলিয়াবলৈ দিব।

**শিক্ষকলৈ টোকাঃ** শৈক্ষিক দিনপঞ্জী অনুসৰি শিক্ষকে শ্ৰেণীকোঠাত পাঠ্যপুথি আদান-প্ৰদান কৰোঁতে শিকন ফলাফলসমূহৰ সৈতে নিশ্চিতভাৱে সংযোগ স্থাপন কৰিব ।

বিচাৰি উলিয়াবলৈ দিয়া আখৰবিলাকৰ আকাৰ ক্ৰমান্বয়ে ডাঙৰৰ পৰা সৰুলৈ দিব। নিৰ্দিষ্ট আখৰটো লিখোঁতে ব্যৱহাৰ কৰা ৰং একে হ'ব লাগে।

- নিৰ্দিষ্ট বৰ্ণটো ডাঙৰকৈ কাৰ্ডত লিখি শস্যগুটিৰে সজাবলৈ দিব।
- বালিবোৰ্ডত তৰ্জনী আঙুলিৰে লিখিবলৈ অনুশীলন কৰাব।
- শিক্ষকে নিৰ্দিষ্ট বৰ্ণটো ছাত্ৰ-ছাত্ৰীৰ ফলিত ডাঙৰকৈ লিখি দি তাৰ ওপৰে ওপৰে প্ৰথমে আঙুলিৰে, পাছত পেঞ্চিলেৰে লিখিবলৈ দিব।

(পাৰিলে শিক্ষকে শিকাৰুৰ হাতত ধৰি ধৰি লিখালে বেছি ফলপ্ৰসূ হ'ব।)

**ক্ৰম অনুসৰি শিক্ষকে পৰ্যায় ক্ৰমে নিৰ্দিষ্ট বৰ্ণটো লিখিবলৈ অনুশীলন কৰাব। উদাহৰণ স্বৰূপে-**

| | | | |
|---|---|---|---|
| ক | | | |
| | | | |

**বোৰ্ডত এনেদৰে লিখাৰ সুবিধা দিব। আটাইবোৰ বৰ্ণৰ বাবে একেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব ।**

## পাঠ আদান-প্ৰদান আৰ্হি- ৫ ঃ

## শব্দ গঠন কৰিব পৰা, পঢ়িব পৰা, লিখিব পৰা

- শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক দলত লৈ ধ্বনিৰে খেল খেলিবলৈ দিব।

**খেলৰ নিয়ম ঃ** আগতীয়াকৈ শিক্ষকে এটা বৰ্ণ ক'ব আৰু বৰ্ণটোৰ আদি বৰ্ণ হিচাপে থকা আৰু নথকা শব্দ কৈ যাব। এই নিৰ্দিষ্ট বৰ্ণটো শিক্ষকে কোৱা শব্দৰ আদি বৰ্ণ হ'লে ছাত্ৰ-ছাত্ৰীয়ে হাত চাপৰি বজাব। অন্য বৰ্ণৰ শব্দ ক'লে হাত চাপৰি বজাব নালাগে।

উদাহৰণস্বৰূপে, 'ক' বৰ্ণটো নিৰ্দ্দিষ্ট কৰি ল'লে কল, কমলা হ'লে হাত চাপৰি বজাব, বল হ'লে বজাব নালাগে। এনেদৰে শব্দৰ শেষৰ বৰ্ণৰ বাবেও এই কাৰ্যকেইবাবাৰো কৰাব।

- ছাত্ৰ-ছাত্ৰীক দলত নিৰ্দিষ্ট বৰ্ণটোৰে আৰম্ভ হোৱা, শেষ হোৱা শব্দ ক'বলৈ দিব। দলগতভাৱে কাৰ্যটো কৰিবলৈ দিব।
- শিক্ষকে দলত কেইখনমান বৰ্ণ কাৰ্ড দিব। প্ৰতিটো দলকে যিকোনো দুখনকৈ বৰ্ণ কাৰ্ড লগ লগাবলৈ দিব। এতিয়া লগ লগোৱা বৰ্ণ দুটা সুকীয়া সুকীয়াকৈ হাত চাপৰি বজাই উচ্চাৰণ কৰিবলৈ দিব। প্ৰতিটো দলতে বৰ্ণ দুটাৰে গঠিত শব্দটো ক'বলৈ দিব। খেলটো বাৰে বাৰে কৰাব।
- প্ৰতিটো দলক নিজে নিজে কোৱা বৰ্ণ কাৰ্ডবোৰ নি বোৰ্ডত পুনৰ শব্দ গঠন কৰি লিখিবলৈ দিব।
- ইতিমধ্যে বোৰ্ডত লিখা শব্দবোৰ সমূহীয়াভাৱে পঢ়িবলৈ দিব। পুনৰ ব্যক্তিগতভাৱে নিৰ্দিষ্ট শব্দটো বাছি উলিয়াই পঢ়িবলৈ দিব।
- এতিয়া ওপৰৰ পৰা শব্দবোৰ তললৈ পঢ়িবলৈ দিব। পুনৰ তলৰ পৰা শব্দবোৰ ওপৰলৈ পঢ়িবলৈ দিব।

| | |
|---|---|
| ↓ কল ↑ | ↓ গছ ↑ |
| ↓ বল ↑ | ↓ ফল ↑ |
| ↓ তল ↑ | ↓ জল ↑ |

- শিক্ষকে যিকোনো দুখন বৰ্ণ কাৰ্ড দাঙি ধৰি ছাত্ৰ-ছাত্ৰীক নিৰ্দিষ্ট শব্দটো ক'বলৈ দিব।
- ছাত্ৰ-ছাত্ৰীয়ে বোৰ্ডত লিখা শব্দবোৰ উচ্চাৰণ কৰি পঢ়ি নিজৰ বহীত লিখিব। এনেদৰে দুটা বৰ্ণৰে গঠিত শব্দৰ পৰা তিনিটা, চাৰিটা বৰ্ণৰে শব্দ গঠন কৰি পঢ়াৰ আৰু লিখাৰ অভ্যাস কৰাব।
- শিক্ষকে বোৰ্ডত লিখা শব্দ এটা ব্যৱহাৰ কৰি এটা বাক্য ক'ব। তেনেদৰে ছাত্ৰ-ছাত্ৰীকো ক'বলৈ দিব। কাৰ্যটো বাৰে বাৰে কৰোৱাব, ছাত্ৰ-ছাত্ৰীয়ে নিজে একোটা বাক্য ক'ব পৰা হোৱালৈকে কাৰ্যটো অব্যাহত ৰাখিব।
- শিক্ষকে কিছুমান ছবি কাৰ্ড ছাত্ৰ-ছাত্ৰীৰ মাজত ভগাই দি প্ৰত্যেককে ছবিখনৰ বিষয়ে একোটাকৈ বাক্য ক'বলৈ দিব। লগে লগে শিক্ষকে বোৰ্ডত লিখি যাব। পিছত বাক্যবোৰ বাৰে বাৰে পঢ়ুৱাব, ছাত্ৰ- ছাত্ৰীকো নিজাকৈ পঢ়িবলৈ দিব।
- শিক্ষকে আখৰবোৰৰ ধ্বনিসমূহ স্থান অনুসৰি (আৰম্ভণি, মধ্য আৰু অন্ত) থকা উচ্চাৰণৰ ভিন্নতা শব্দত প্ৰয়োগ কৰি দেখুৱাই দিব। যেনে - কল→মকৰা, কনক, ঝক্ ঝক্

## পাঠ আদান প্ৰদান আৰ্হি-৬

## শব্দ, বাক্য ক'ব পৰা, পঢ়িব পৰা লিখিব পৰা

প্ৰাক্‌শৈশৱ কালৰ পৰা শিশুসকলে শব্দ, বাক্য ক'বলৈ, পঢ়া আৰু লিখা শিকিবলৈ প্ৰথমে প্ৰয়াস কৰে। পঢ়া আৰু লিখা কৌশল আহৰণ কৰাৰ পূৰ্বেই তেওঁলোকে সাক্ষৰতাৰ কিছুমান ধাৰণাৰ ওপৰত মৌলিক জ্ঞান আহৰণ কৰে। এই ক্ষেত্ৰত শিক্ষকৰ যথেষ্ট কৰণীয় আছে।

ছাত্ৰ-ছাত্ৰীক কেনেদৰে শব্দ, বাক্য ক'ব, পঢ়িব আৰু লিখিব পৰা কৰিব, তাৰ কেইটামান কৌশল তলত দিয়া হ'ল—


➢ কাৰ্ডৰ সহায়ত বৰ্ণ, শব্দ, বাক্য আদি শিকাব। উদাহৰণস্বৰূপে ঃ বৰ্ণ 'ক'। 'ক' বৰ্ণটো শিকাবলৈ শিক্ষকে ছবি কাৰ্ড ব্যৱহাৰ কৰিব


পাৰে। যেনে - ক বৰ্ণটো শিকাবলৈ শিক্ষকে কল এটাৰ ছবি আঁকি কল শব্দটো লিখি ক বৰ্ণটো উচ্চাৰণ সহকাৰে পৰিচয় কৰাব। ‘ক’ বৰ্ণটো শব্দৰ আৰম্ভণিতে, মাজত আৰু শেষত ব্যৱহাৰ হোৱা কিছুমান শব্দ আৰু তাৰ লগতে কিছু ছবি দেখুৱাব। যেনে - ‘কলম’, ‘ফলক’, ‘ভকত’।

- শিক্ষকে শিকাবলগীয়া বৰ্ণ কাৰ্ড আৰু শব্দ কাৰ্ড ছবিৰ সৈতে মিলাব। উদাহৰণস্বৰূপে ‘ক’ বৰ্ণৰে গঠিত শব্দ

  ‘কল’ৰ ছবি, শব্দ কাৰ্ড ‘কল’ৰ লগত মিলাই দেখুৱাব।

- শ্ৰেণীকোঠাত উপলব্ধ বা আশে পাশে পোৱা বিভিন্ন বাস্তৱ সামগ্ৰী বা মাটিৰে প্ৰস্তুত কৰা আৰ্হিৰ লগত বৰ্ণ কাৰ্ড মিলাই দেখুৱাব পাৰে।
- শিক্ষকে যিকোনো এটা বৰ্ণ দেখুৱাই (স্বৰচিহ্নবিহীন) তাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীক ছবি আঁকিবলৈ দিব পাৰে। ছাত্ৰ-ছাত্ৰীক নিজে অঁকা ছবিৰ নাম লিখিবলৈ দিব। (প্ৰয়োজন হ’লে শিক্ষকে সহায় কৰিব)। যেনে — ‘কল’, ‘বল’, ‘গছ’, ‘ঘৰ’, ‘আম’ ইত্যাদি।
- ছাত্ৰ-ছাত্ৰীয়ে নিজে লিখা শব্দবোৰ ক’ব আৰু ইজনে সিজনৰ লগত বিনিময় কৰি শব্দবোৰ পঢ়িব আৰু ক’ব।
- ছাত্ৰ-ছাত্ৰীয়ে নিজে লিখা শব্দবোৰ প্ৰয়োগ কৰি সৰু সৰু বাক্য ক’ব আৰু লিখিব (প্ৰয়োজন হ’লে শিক্ষকে সহায় কৰিব)।
- বাক্য কাৰ্ড ছাত্ৰ-ছাত্ৰীৰ মাজত দলগতভাৱে ভগাই দি পঢ়িবলৈ দিব লগতে অংগ-ভংগীৰে দেখুৱাবলৈ চেষ্টা কৰিব। উদাহৰণস্বৰূপে— ‘ল’ৰাজনে খেলি আছে’। ‘ছোৱালীজনীয়ে লিখি আছে’।
- ছাত্ৰ-ছাত্ৰীক বাক্য কাৰ্ড বা শব্দ কাৰ্ড ইজনৰ লগত সিজনৰ মিলাই চাবলৈ দিব। উদাহৰণস্বৰূপে, ‘কলম’, ‘বল’, ‘ৰমাই বল খেলি আছে’, ‘অমলে কলমেৰে লিখি আছে’ আদি। (ইয়াৰ জৰিয়তে শিক্ষকে ছাত্ৰ-ছাত্ৰীয়ে সঠিকভাৱে পঢ়ি বুজিব পাৰিছেনে নাই জানিব।)
- শিক্ষকে বৰ্ণ তালিকা কাৰ্ড, দফা কাৰ্ড (ছবি থকা) সাধু পুথি, সাধুৰ ছবি চাৰ্ট, ছবি কাৰ্ড, কাৰ্যপত্ৰ বৰ্ণাৱলী তালিকা কাৰ্ড আদি ব্যৱহাৰ কৰিও শব্দ, বাক্য ক’ব, পঢ়িব আৰু লিখিব পৰা কৰিব পাৰে।
- পৰ্যায়ক্ৰমে শিক্ষকে ক্ৰম ৰক্ষা কৰি নিৰ্দিষ্ট বৰ্ণটো লিখিবলৈ অনুশীলন কৰাব। উদাহৰণস্বৰূপে,





শেষত কাৰ্যপত্ৰ আৰু পাঠ্যপুথিত লিখাৰ অভ্যাস কৰাব। বোৰ্ডতো এনেকৈ লিখাৰ সুবিধা দিব। এইদৰে অ-ৰ পৰা ন-লৈ বৰ্ণ পৰিচয় কৰাব তেনেদৰে পঢ়িবলৈ দিব, মৌখিকভাৱে শব্দ গঠন কৰিবলৈ আৰু ভাঙিবলৈ দিব। আটাইবোৰ বৰ্ণৰ বাবে শিক্ষকে একে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব।